www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ শেষ হ'বলৈ আৰম্ভ কৰে যেতিয়া আমি গুৰুত্বপূৰ্ণ কথাবোৰৰ প্ৰতি নিমাত হৈ পৰো। — মাৰ্টিন লুথাৰ কিং জুনিয়ৰ

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৯৩ ❐ শনিবাৰ ❐ ১৩ ছেপ্তেম্বৰ, ২০২৫ চন ❐ ২৭ ভাদ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 193 ❐ Saturday ❐ 13th September, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

সন্ধিয়ালৈ সুধাকণ্ঠৰ জন্ম-শতবৰ্ষৰ অনুষ্ঠানত অংশ ল'ব প্ৰধানমন্ত্ৰীগৰাকীয়ে

# দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ প্ৰধানমন্ত্ৰী মোদী

▪ ১২০০ গৰাকী শিল্পীয়ে ১৮ মিনিটত গাব ড° ভূপেন হাজৰিকাৰ ১৪টা গান ▪ উন্মোচন কৰা হ'ব ভূপেন হাজৰিকাৰ জীৱনী সম্বলিত গ্ৰন্থ



## কাইলৈ অসমত উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব ১৮, ৫৩০ কোটিৰো অধিক মূল্যৰ বৃহৎ আন্তঃগাঁথনি আৰু উদ্যোগিক উন্নয়ন প্ৰকল্পৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ দুদিনীয়া ভ্ৰমণসূচীৰে আহি উপস্থিত হ'ব। আবেলি গুৱাহাটীত উপস্থিত হৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰত্ন ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু তাতেই তেওঁ মুকলি কৰিব ভূপেন হাজৰিকাৰ ছবি সম্বলিত এটা ১০০ টকীয়া স্মাৰক মুদ্ৰাৰ লগতে ⏩ ৬ পৃষ্ঠাত

## বিটিচিত আমাৰ চৰকাৰ আহিলে VCDCক গাঁতত পেলাই দিম ঃ মুখ্যমন্ত্ৰী



অক্টোবৰ-নৱেম্বৰত BTCৰ সকলো পৰিয়ালক অৰুণোদয় আঁচনিৰ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১২ ছেপ্টেম্বৰ ঃ** ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব বিটিচিৰ নিৰ্বাচন। এইবাৰ নিৰ্বাচনত বিপিএফ, ইউপিপিএল আৰু বিজেপিৰ মাজতে মূল যুঁজ হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে দাবী ⏩ ৬ পৃষ্ঠাত

## দিল্লী উচ্চ ন্যায়ালয়ত বোমা হুমকি




ইমেইলৰ জৰিয়তে আতংকৰ সৃষ্টি, বোমা স্কোৱাডৰ অনুসন্ধান অব্যাহত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** ৰাজধানী দিল্লীত শুক্ৰবাৰে দিল্লী উচ্চ ন্যায়ালয়ত বোমা স্থাপনৰ এক ভুৱা হুমকিৰ ⏩ ৬ পৃষ্ঠাত

## ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌড়েলে কৰোৱালে শপত পাঠ

## নেপালৰ অন্তৱৰ্তী প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ সুশীলা কাৰ্কিৰ

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** নেপালৰ ৰাজনৈতিক সংকটৰ মাজত পূৰ্বৰ মুখ্য ন্যায়াধীশ ⏩ ৬ পৃষ্ঠাত

▪ ছমাহৰ ভিতৰত দেশখনত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব ▪



উচ্চতম ন্যায়ালয় ৰায়; জেইৰ বলছ'নাৰোক সামৰিক অভ্যুত্থানৰ ষড়যন্ত্ৰত দোষী সাব্যস্ত

## ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতিক ২৭ বছৰ কাৰাদণ্ডৰ শাস্তি

পাঁচজনীয়া বিচাৰপীঠৰ দ্বাৰা দোষী সাব্যস্ত



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** ছেপ্টেম্বৰ-ব্ৰাজিলৰ ইতিহাসত এটা ঐতিহাসিক ঘটনা ঘটিছে। দেশৰ উচ্চতম ন্যায়ালয়ে (সুপ্ৰিম কোৰ্ট) প্ৰাক্তন ৰাষ্ট্ৰপতি জেইৰ মেছিয়াছ ব'লছ'নাৰোক সামৰিক অভ্যুত্থানৰ ষড়যন্ত্ৰৰ অপৰাধত দোষী সাব্যস্ত কৰি ২৭ বছৰ ৩ মাহৰ কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰিছে। ⏩ ৬ পৃষ্ঠাত

ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত দলীয় কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰীৰ গৌৰৱ গগৈক তীব্ৰ সমালোচনা

## গৌৰৱক মই হিৰ' বনাব নালাগে, চিএমৰ পুতেক এনেই হিৰ' ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** শুকুৰবাৰে বশিষ্ঠস্থিত অসম ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক দলীয় কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও বিস্ফোৰণ ঘটায়। সাংসদ গৌৰৱ গগৈৰ লগতে সংবাদ মাধ্যমক একপ্ৰকাৰ টাৰ্গেট কৰি কেইবাটাও মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। গৌৰৱ গগৈৰ লগতে কংগ্ৰেছক ⏩ ৬ পৃষ্ঠাত



দুধদানিৰ গাখীৰ খাই জন্ম লোৱা নাই, মাৰ অৰিজিনেল গাখীৰ খাই জন্ম লৈছো ঃ মুখ্যমন্ত্ৰী

## টাই আহোম যুৱ পৰিষদৰ জনজাতিকৰণৰ দাবীত মৰাণত প্ৰতিবাদী সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰাণ, ১২ ছেপ্টেম্বৰ ঃ** অসমত ছয়টা জনগোষ্ঠীক জনজাতিকৰণৰ স্বীকৃতি প্ৰদানৰ দাবীত টাই আহোম যুৱ পৰিষদে ⏩ ৬ পৃষ্ঠাত

## শ্ৰীভূমি জিলাত ৩৯ জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক আটক কৰি 'পোচ বেক'

অবৈধ বাংলাদেশী অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে অসমত অব্যাহত অভিযান



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** অসম পুলিচে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা বাংলাদেশী অনুপ্ৰবেশকাৰীসকলৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত ৰাখিছে। বৰাক ⏩ ৬ পৃষ্ঠাত




উন্নয়ন আৰু জনগোষ্ঠীৰ সেৱাৰ প্ৰতি দৃঢ় সংকল্প

## কোচ-ৰাজবংশী নেতা বিশ্বজিৎ ৰায়ৰ বিজেপিত যোগদান

'২৬ত প্ৰাৰ্থিত্বৰ সম্ভাৱনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** কোচ-ৰাজবংশী সম্প্ৰদায়ৰ প্ৰখ্যাত নেতা আৰু আক্ৰাছুৰ প্ৰাক্তন সভাপতি বিশ্বজিৎ ৰায়ে আজি আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত যোগদান কৰিছে। অটল ⏩ ৬ পৃষ্ঠাত

## পেইড কেম্পেইনৰ যোগেদি, কৃষক আৰু পৰিৱেশৰ লাভ ঃ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ ২০% ইথানল মিশ্ৰিত পেট্ৰল (ই-২০) প্ৰকল্পটোৱে ২০২৫ চনৰ পূৰ্বে লক্ষ্য অৰ্জন কৰিলে, কিন্তু এই সিদ্ধান্তই কেন্দ্ৰীয় পথ তথা পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক বহুতো কটাক্ষ আৰু সমালোচনাৰ সন্মুখীন কৰিছে। সামাজিক ⏩ ৬ পৃষ্ঠাত

২০ শতাংশ ইথানল মিশ্ৰিত পেট্ৰ'লৰ বিতৰ্ক






মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমালোচনা অখিল গগৈৰ



## অসমৰ ইতিহাসত সৰ্বাধিক চঞ্চলমতীয়া ৰাজনৈতিক নেতা হিমন্ত বিশ্ব শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ ছেপ্টেম্বৰ ঃ** শুক্ৰবাৰে তেজপুৰৰ বিহগুৰিত ৰাইজৰ ⏩ ৬ পৃষ্ঠাত

ডিব্ৰুগড়ত অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈৰ সংবাদমেল

## প্ৰধানমন্ত্ৰীলৈ অসম ভ্ৰমণৰ প্ৰাক মুহূৰ্তত ৩ প্ৰশ্ন

অসম চুক্তি ছয় নং দফা- অসমত 'কা' আইন বাতিলৰ আহ্বান গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড়, ১২ ছেপ্টেম্বৰ ঃ** অসম আগমনৰ প্ৰাকমুহূৰ্তত প্ৰধানমন্ত্ৰীক ⏩ ৬ পৃষ্ঠাত

# গুৱাহাটীৰ স্বাগত চুপাৰ স্পিচিয়েলিটি হাস্পাতালত অধ্যাপক সুভাষ খান্নাৰ নেতৃত্বত পূব ভাৰতৰ প্ৰথমটো ৰিমৰ্ট ৰ'বটিক শল্য চিকিৎসা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ছেপ্তেম্বৰ ঃ** গুৱাহাটীৰ স্বাগত চুপাৰ স্পিচিয়েলিটি হাস্পতালত পুব আৰু উত্তৰ-পূব ভাৰতত সফলতাৰে ঘামি' নটিক পিত্তথলী আঁতৰোৱাৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰিছে। মেড-ইন-ইণ্ডিয়া এছ এছ আই মাস বনটিক চিষ্টেম ব্যৱহাৰ কৰি গুৱাহাটীৰ দুজন ৰোগীৰ অস্ত্ৰোপচাৰ ইতিমধ্যে সফলতাৰে সম্পন্ন কৰা হৈছে। লিড চাৰ্জন অধ্যাপক সুভাষ খান্নাই গুৰগাঁৱৰ পৰা পটটো নিয়ন্ত্ৰণ কৰি প্ৰায় ১৯০০ কিলোমিটাৰ দূৰৰ পৰা এই অস্ত্ৰোপচাৰটো সম্পন্ন কৰে। অস্ত্ৰোপচাৰ সম্পন্ন হোৱা দুয়োজন ৰোগী সুস্থ হৈ উঠিছে আৰু ২৪ ঘণ্টাৰ ভিতৰত দুয়ো হাস্পতালৰ পৰা ঘৰলৈ যাব পাৰিব বুলি জানিব পৰা গৈছে। এক নিষ্ঠাবান চিকিৎসা আৰু কাৰিকৰী ঐক্যবদ্ধ প্ৰচেষ্টাত এই অস্ত্ৰোপচাৰ সফলভাৱে কৰা হয়। গুৰগাঁৱৰ পৰা শ্ৰী অভিবেশৰ লগতে গুৱাহাটীৰ স্বাগত হাস্পতালৰ পৰা বিনয় হাজৰিকাই এই জটিল আই টি মেৰুদণ্ডৰ সমন্বয় কৰিছিল। সমগ্ৰ প্ৰক্ৰিয়াটোত এয়াৰটেলৰ সহায়ত উচ্চগতিৰ সংযোগ ব্যৱস্থাপনাত, প্ৰয়োজনীয় মানদণ্ডতকৈ অধিক বেগত মাত্ৰ ৪০ মিলিছেকেণ্ডৰ আকৰ্ষণীয় লেটেঞ্চি লাভ কৰা হৈছিল। সমগ্ৰ অস্ত্ৰোপচাৰটোত স্বাগত হাস্পতালৰ চিকিৎসক ডাঃ অবিন্দম বৰুৱা, ডাঃ প্ৰণৱ দাস আৰু ডাঃ সুপ্ৰিয় চৌধুৰীয়ে সহায় আগবঢ়োৱাৰ লগতে ডাঃ কনিণিকা দাসে এনাস্থেচিয়াৰ নেতৃত্ব দিছিল। তেনেদৰে ববটিক ক্লাব না বিদ্যা দেবী, আলবাণীশা, বীনা, লিপিকা আৰু বায়'টেকনিচিয়ান জিণ্টুৱে সমগ্ৰ অস্ত্ৰোপচাৰৰ বিভিন্ন কাৰিকৰী ক্ষেত্ৰত সহায় আগবঢ়ায়। বিশেষকৈ উত্তৰ-পূবত ধাৰাবাহিকভাৱে অগ্ৰণী অস্ত্ৰোপচাৰৰ উদ্ভাৱনৰ প্ৰবৰ্তন অব্যাহত ৰখা স্বাগত হাস্পতালৰ সঞ্চালক অধ্যাপক ডাঃ স্বাগতা খান্নাই সমগ্ৰ অস্ত্ৰোপচাৰ প্ৰক্ৰিয়া দিল্লীৰ গুৰগাঁৱৰ পৰা নিয়ন্ত্ৰণ কৰিছিল। এই অস্ত্ৰোপচাৰৰ সাফল্যৰ সন্দৰ্ভত আজি এক সংবাদমেল যোগে অধ্যাপক সুভাষ খান্নাই কয় যে, একেবাৰে নতুন আৰু উদ্ভাৱনীমূলক কামত ৰোগীক পতিয়ন নিয়াব পৰাটো বৰ সহজ নহয়। দুয়োজন ৰোগীয়ে মোৰ ওপৰত যি বিশ্বাস ৰাখিছিল তাৰ বাবে মই কৃতজ্ঞ। তেওঁলোকৰ ওচৰত মই শাৰীৰিকভাৱে উপস্থিত নাথাকিলেও তেওঁলোকে মোক বিশ্বাস কৰি আনন্দৰে অস্ত্ৰোপচাৰ কৰিবলৈ সন্মত হৈছিল। এই সুবিধাৰ জৰিয়তে এতিয়া টেলি কানেক্টিভিটিৰ জৰিয়তে ৰোগীজন পৃথিৱীৰ যিকোনো ঠাইতে থাকিলেও উত্তম চিকিৎসা লাভ কৰাত সহায় কৰিব। আনহাতে ববটিক অস্ত্ৰোপচাৰ সন্দৰ্ভত তেওঁ কয় যে, দুৰৱৰ্তী ৰবটিক অস্ত্ৰোপচাৰ বিশ্বৰ বাবে সম্পূৰ্ণ নতুন নহয়। এনে পদ্ধতি 'লিগুবাৰ্গ অপাৰেচন'— প্ৰথম ২০০১ চনত ফ্ৰান্সৰ ষ্ট্ৰাছবাৰ্গত নিউয়ৰ্কৰ এজন অস্ত্ৰোপচাৰ বিশেষজ্ঞই এজন ৰোগীৰ পিত্তথলী আঁতৰোৱাৰ সময়ত কৰিছিল। কিন্তু অধিক খৰচ আৰু সংযোগৰ প্ৰত্যাহ্বানৰ বাবে এই চিকিৎসাৰ অগ্ৰগতি লেহেমীয়া হৈ আছে। কিন্তু ববটি', সুৰক্ষিত নেটৱৰ্ক, দ্ৰুতবেগী তথ্য সংবহনৰ অগ্ৰগতি আৰু বিশ্বজুৰি আগ্ৰহৰ পৰিপেক্ষিতত এনে চিকিৎসাৰ পুনৰ উত্থান ঘটিছে। লক্ষণীয়ভাৱে সমগ্ৰ ভাৰতৰ বহু আগশাৰীৰ কৰ্পৰেট চিকিৎসালয়ত এতিয়াও এনে পদ্ধতি ব্যৱহাৰ কৰা নাই। গতিকে সেই দিশৰ পৰা স্বাগত ছুপাৰ স্পেচিলিটি হাস্পতালৰ এই কৃতিত্ব বিশেষভাৱে উল্লেখনীয় হৈছে। উল্লেখযোগ্য যে, এই মিট ৰ'বটিক শল্য চিকিৎসাই অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিশেষ সুদূৰপ্ৰসাৰী প্ৰভাৱ কঢ়িয়াই আনিছে। কিয়নো দীৰ্ঘদিনীয়া আৰু ব্যয়বহুল যাতায়তৰ প্ৰয়োজন নোহোৱাকৈ ৰোগীয়ে এই অস্ত্ৰোপচাৰ কৰিব পাৰিব। দুৰ্গম সীমান্ত অঞ্চলত বাস কৰা সৈনিক আৰু নাগৰিকসকলৰ বাবে এই চিকিৎসাই আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে। লক্ষণীয়ভাৱে অধ্যাপক সুভাষ খান্নাই এইক্ষেত্ৰত আগভাগ লৈ অসমক ভাৰতৰ অত্যাধুনিক অস্ত্ৰোপচাৰ প্ৰযুক্তিৰ ক্ষেত্ৰত আগৰণুৱা হিচাপে স্থান দি এক নতুনত্ব প্ৰদান কৰাৰ লগতে ৰাজ্যখনৰ চিকিৎসা ব্যৱস্থাত নতুন দিগন্তৰ সূচনা কৰিছে। ৰোগীৰ সুৰক্ষা আৰু ক্লিনিকেল সম্ভাৱনীয়তা দুয়োটা নিশ্চিত কৰি নিখুঁত পৰিকল্পনা, শক্তিশালী প্ৰযুক্তিগত সমৰ্থন আৰু সম্পূৰ্ণ নৈতিক সমিতিৰ অনুমোদনৰ সৈতে অস্ত্ৰোপচাৰসমূহ কৰা হৈছিল। উল্লেখ্য যে স্বাগত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল হৈছে গুৱাহাটীৰ উন্নত স্বাস্থ্যসেৱাৰ প্ৰতি উৎসৰ্গিত এক আগশাৰীৰ মাল্টি স্পিচিয়েলিটি চিকিৎসালয়। বিশেষকৈ লেপাৰস্কপিক, বটিক আৰু এতিয়া দূৰৱৰ্তী ৰবটিক অস্ত্ৰোপচাৰৰ বাবে বিখ্যাত এই হাস্পতালখনে অসম আৰু উত্তৰ-পূব ভাৰতৰ জনসাধাৰণৰ মাজলৈ শেহতীয়া চিকিৎসা প্ৰযুক্তি কঢ়িয়াই আনি সেৱা অব্যাহত ৰাখিছে আৰু অসমক শৈল্য চিকিৎসাৰ ক্ষেত্ৰত ভাৰত আৰু সমগ্ৰ বিশ্বৰ মাজত

# চৰাইদেউ বৰহাটত ফৰামৰ ফৰ আছামৰ উদ্যোগত গছপুলি ৰোপণ

**অসম বাৰ্তা, বৰহাট, ১২ ছেপ্তেম্বৰ ঃ** চৰাইদেউৰ বৰহাটৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ভবাণী প্ৰসাদ বৰুৱা সোঁৱৰণী জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ চৌহদত আছাম ফৰ ফৰামৰ উদ্যোগত বিশ্ববৰণ্য শিল্পী সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি গছ পুলি ৰূপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃক্ষৰূপন কৰাৰ আগেয়ে উদ্যোক্ত মণ্ডলীৰ ফালৰ পৰা বি পি বি এম ছিনিয়ৰ চেকেণ্ডেৰী স্কুলত এখন সভা অনুষ্ঠিত কৰে। সভাখন আতঁ ধৰে ফৰামৰ ফৰ আছামৰ অন্যতম এজন উদ্যাক্ত তৰুণ গগৈয়ে। জীৱ বিজ্ঞানী ৰঞ্জিতা বনিয়া, বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পোনা গোহাঁই, বৰহাট মিছাজান গাৱত ৰাজপথত দহটাকৈ বৰজামুক গছপুলি ৰুপন কৰি নিজৰ ল'ৰাৰ দৰে তুলি দাঙৰ দীঘল কৰা অৱসৰ প্ৰাপ্ত অইলৰ কৰ্মচাৰী বয়োজেষ্ঠ ব্যক্তি প্ৰবীণ কুমাৰ গগৈ, বৰহাট বি পি বি এম ছিনিয়ৰ চেকেণ্ডেৰী ক্ৰমে অধ্যক্ষ কিৰণ গগৈয়ে ব্যক্তব্য আগবঢ়োৱা সভাত বৰহাট বি পি বি এম ছিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয়ৰ শিক্ষক ৰজত পাছনী, ফৰাম ফৰ আছামৰ ক্ৰমে পুষ্প কোঁৱৰ, ৰাজু গগৈ, তীৰ্থ গগৈ, সোণাৰাম গগৈৰ উপৰিও বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। সভাখনত উপস্থিত বিশিষ্ট লোক সকলক একোখনকৈ ফুলাম গামোচাৰে উদ্যোক্তা মণ্ডলীৰ ফালৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। সভাৰ অন্তত বয়োজেষ্ঠ প্ৰকৃতিবিদ প্ৰবীণ কুমাৰ গগৈয়ে এটি গছ পুলি ৰূপন কৰি কাৰ্যসূচীৰ শুভাৰম্ভৰ কৰে। বৰহাট বি পি বি এম ছিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয়ৰ ৫২ গৰাকী ছাত্ৰ ছাত্ৰী য়ে হাতে হাতে একোটাকৈ গছ পুলি লৈ নিৰ্দিষ্ট স্থানত পুলি সমূহ ৰূপন কৰে। গছ পুলি সমূহ চোৱা চিতা কৰাৰ দায়িত্ব ছাত্ৰ ছাত্ৰী সকলৰ লগতে বিদ্যালয় খনৰ শিক্ষক শিক্ষয়িত্ৰী সকলে লৈছে।

# ২৫ অক্টোবৰত ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ 'সাংবাদিক সন্মিলন'

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ ছেপ্তেম্বৰ ঃ** ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা, কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত, অসম সাহিত্য সভাৰ পৃষ্ঠপোষকতাত ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব 'সাংবাদিক সন্মিলন'। ডিব্ৰুগড় হনুমানবক্স সূৰজমল কাৰ্টুন মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অহা ২৫ অক্টোবৰত অনুষ্ঠিত হ'ব এই সন্মিলন। এই উপলক্ষে আজি (১০ ছেপ্টেম্বৰ) কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভা কক্ষত অসম সাহিত্য সভাই গঠন কৰি দিয়া শৈক্ষিক সমিতিৰ আহ্বায়ক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক বাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াক সভাপতি, বিশিষ্ট সমাজসেৱক জ্যোতি প্ৰসাদ কানৈক কাৰ্যকৰী সভাপতি আৰু জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাক সাধাৰণ সম্পাদক তথা বাতুল বুঢ়াগোহাঁই আৰু যাদৱ গগৈক যুটীয়া সম্পাদক আৰু জ্যোতি বৰগোহাঁইকে ধৰি অসম সাহিত্য সভাই কৰি দিয়া শৈক্ষিক সমিতিৰ সদস্যসকলক উপদেষ্টা হিচাপে লৈ কেইবাখনো উপ-সমিতিৰে ৫১ জনীয়া এখন আদৰণি সমিতি গঠন কৰা হয়। সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মা, অধ্যাপক ড° অনন্ত কুমাৰ দত্ত, অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপিকা ড° মৰমী তালুকদাৰ, অধ্যাপক ড° জ্যোতি শইকীয়া, অধ্যাপিকা ড° নিৰ্মালী পেগু, অধ্যাপিকা বিনী শইকীয়া, অধ্যাপিকা মৌচুমী হাজৰিকা, লেখিকা সন্থা অসমৰ প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকা, মিনাক্ষী দাস বৰুৱা, ভুৱনজ্যোতি বৰুৱা, অৰ্পণা ফুকন দাস উপস্থিত থাকি সাংবাদিক সন্মিলনখন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰে। উল্লেখ্যযে এদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা সাংবাদিক সন্মিলনখনত অসম সাহিত্য সভাৰ সভাপতি, উপ সভাপতি, প্ৰধান সম্পাদককে প্ৰমুখ্য কৰি অসমৰ সকলো জিলাৰ সাংবাদিকৰ লগতে ছপা আৰু কেইবাটাও বৈদ্যুতিণ মাধ্যমৰ সম্পাদকহকল উপস্থিত থকাৰ লগতে পোন প্ৰথমবাৰৰ বাবে গৱেষণা পত্ৰপাঠ, বক্তৃতানুষ্ঠান, মুকলি সভা, সম্বৰ্ধনা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। "সাহিত্য, সাংবাদিকতা আৰু অসমীয়া মাতৃভাষাৰ ভৱিষ্যত"- শীৰ্ষক বিষয়ক মুখ্য বিষয় হিচাপে লৈ অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব আৰু এখন ঘোষণা পত্ৰও প্ৰকাশ কৰাৰ চিন্তা-চৰ্চা কৰা বুলি এক বিবৃতিৰ জৰিয়তে জানিবলৈ দি সকলোৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কামনা কৰিছে।

## বঁটা প্ৰাপ্তিয়ে একোগৰাকী শিল্পীক সমাজত পূৰ্ণতা আনে ঃ অভিনেত্ৰী বনলতা দেৱী

# সুদক্ষা অভিনেত্ৰী-দেউধনী নৃত্যৰ শিল্পী বনলতা দেৱী আৰু বিধায়ক তথা সংগীত শিল্পীৰূপক শৰ্মালৈ ৰঙ্গমঞ্চ বঁটা প্ৰদান

**অসম বাৰ্তা, নগাঁও, ১২ ছেপ্তেম্বৰ ঃ** বঁটা প্ৰাপ্তিয়ে একোগৰাকী শিল্পীক সমাজত পূৰ্ণতা আনে। এই মন্তব্য কৰে সুদক্ষা অভিনেত্ৰী তথা দেউধনী নৃত্যৰ শিল্পী বনলতা দেৱীৰ। আজি সন্ধিয়া ৮ বজাত নগাঁও জিলা পুথিভঁৰালত ৰংগমঞ্চ বঁটা প্ৰদান অনুষ্ঠানত বঁটা গ্ৰহণ কৰি এই মন্তব্য কৰে। তেওঁ লগতে আৰু কয় যে আজি মোৰ বাবে এক সুভাগ্যৰ দিন। ৰংগমঞ্চ অনুষ্ঠানৰ বঁটা প্ৰাপ্তিয়ে সংস্কৃতিৰ পথাৰখনত আৰু এখোজ আগবাঢ়ি যোৱাত অনুপ্ৰেৰণা যোগালে আৰু দায়িত্বও বঢ়ালে। বিশিষ্ট নাট পৰিচালক- অভিনিতা পৱিত্ৰ কলিতাই আতঁধৰা গাম্ভীৰ্যপূৰ্ণ ৰংগমঞ্চ বঁটা প্ৰদান অনুষ্ঠানত আন এগৰাকী সংগীত শিল্পী তথা সাংস্কৃতিক ক্ষেত্ৰখনলৈ বিশেষ বৰঙনি আগবঢ়াই যোৱা নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাক একেটা অনুষ্ঠানতে ৰংগমঞ্চ বঁটা প্ৰদান কৰা হয়। উল্লেখ যে বিধায়ক শৰ্মাৰ অনুপস্থিতিত তেওঁৰ হৈ তেওঁৰ সহধৰ্মিনী নৱনীতা শৰ্মাই উক্ত বঁটাটি গ্ৰহণ কৰে। বঁটা গ্ৰহণ কৰি নৱনীতা শৰ্মাই কয় যে সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে তেওঁৰ স্বামী ৰূপক শৰ্মাই যি অবদান বৰ্তমানলৈকে আগবঢ়াইছে তাৰ প্ৰাপ্তিৰ বাবে এই বঁটা লাভ কৰাত আমি পৰম আনন্দিত হোৱাৰ কথা উল্লেখ কৰে। উল্লেখ যে, ২০২৪-২৫ বৰ্ষৰ এইবাৰ হিমাশ্ৰী শইকীয়া আৰু ঘনশ্যাম শইকীয়াৰ সোঁৱৰণত আৰু বিশিষ্ট সংগীত শিল্পী নগাঁৱৰ জনপ্ৰিয় বিধায়ক ৰূপক শৰ্মাক আৰু ৰাজেন্দ্ৰ নাথ শইকীয়া আৰু ইন্দুপ্ৰভা সোৱৰণত দৰং জিলাৰ ছিপাঝাৰৰ অভিনেত্ৰী বনলতা দেৱীক ৰঙ্গমঞ্চ শিল্পী বটা ২০২৫ প্ৰদান কৰা হয়। এই বঁটাত সম্বৰ্ধনা পত্ৰ, গামোচা, চেলেং, ধৰ্মীয় গ্ৰন্থ, স্মাৰক, জাপি, টঙালি আদি প্ৰদান কৰা হয়। অনুষ্ঠানটিত ৰংগমঞ্চৰ মুখ্য আহ্বায়ক তথা নাট পৰিচালক গগন চৌধুৰী, নাট পৰিচালক পুৰ্ণ্যদা বৰা, নাট্যকাৰ সপোনটি বৰদলৈ, বিশিষ্ট নাট্যকাৰ-পৰিচালক অজিত বৰঠাকুৰ, নগাঁও জিলা নাট্য সন্মিলনৰ সভাপতি মনোজ বৰদলৈ, সমাজকৰ্মী অভিনেতা জয়ন্ত কুমাৰ বৰা, অভিনেতা প্ৰশান্ত শৰ্মা, প্ৰাণজিৎ গোস্বামী, জীৱন সিং, মোহিনী মোহন ডেকা উপস্থিত থাকে। নিশালৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ কালজয়ী নাটক 'ভুল নুবুজিবা ভূপেন দা' মঞ্চস্থ কৰা হয়। উক্ত নাটক পৰিচালনা কৰে গগন চৌধুৰী, সহঃ পৰিচালনা - উৎপল কলিতা, মৌচম বৰা। পৰিকল্পনা - বসন্ত গোঁহাই, নিৰ্মালি হাজৰিকাৰ। অনুষ্ঠানত সহস্ৰাধিক দৰ্শক ৰাইজ উপস্থিত থাকি নাট উপভোগ কৰে।



## ফুটকীবাৰী তিনিআলীত টায়াৰ জ্বলাই প্ৰতিবাদ

# বিলাসীপাৰা ফুটকিবাৰীত আক্ৰাছুৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ১২ ছেপ্তেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতি কৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত কালি নিশা গোলকগঞ্জত জোৰ সমদল উলিওৱাৰ সময়ত আন্দোলনকাৰীক আৰক্ষীয়ে প্ৰহাৰ কৰাৰ প্ৰতিবাদতত আজি পুৱাই আক্ৰাছুৰ নেতৃত্বত ফুটকিবাৰী তিনিআলীত টায়াৰ জলাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ সাব্যস্ত কৰা সময়ত সমগ্ৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে ফুটকীবাৰী অঞ্চলত। কিন্তু প্ৰতিবাদ সাব্যস্ত কৰা ক্ষন্তেক সময়ৰ পিছত উপস্থিত হয় সাপটগ্ৰাম আৰক্ষী চকীৰ এটা আৰক্ষীৰ দল। কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতি কৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত নিশা গোলকগঞ্জত জোৰ সমদল উলিওৱাত আন্দোলনকাৰীক আৰক্ষীয়ে প্ৰহাৰ কৰাৰ প্ৰতিবাদতে আজিই পুৱাই আক্ৰাছুৰ নেতৃত্বত ফুটকিবাৰী তিনিআলীত টায়াৰ জলাই এই প্ৰতিবাদ সাব্যস্ত কৰে। আৰক্ষীৰ দ্বাৰা প্ৰতিবাদীৰ ওপৰত লাঠি চালনাৰ ঘটনাক কেন্দ্ৰ কৰি আক্ৰাছুই তীব্ৰ গৰিহনা জনোৱাৰ লগতে আজি প্ৰতিবাদ সাব্যস্ত কৰা প্ৰতিবাদকাৰী সকলে অসম চৰকাৰ হায় হায়, অসম আৰক্ষী মুৰ্দাবাদ, ধুবুৰী জিলা প্ৰশাসন হায় হায়, আমাক এছ টি লাগিবই, আক্ৰাছু জীন্দাবাদ আদি ধ্বনিৰে ফুটকিবাৰীৰ আকাশ বতাহ কঁপাই তোলে। প্ৰতিবাদস্থলীৰ পৰাই ধুবুৰী জিলা আৰক্ষী অধীক্ষকক নিলম্বন কৰাৰ বাবে দাবী জনাই কোচ ৰাজবংশী ছাত্ৰ সন্থাই।

# কচুৱাৰ ৰজাআলি আঞ্চলিক ক্ৰীড়া সন্থাৰ ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, কচুৱা, ১২ ছেপ্তেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ ৰজাআলি খেলপথাৰত বিগত বৰ্ষৰ দৰে এইবেলিও একঁকালিন প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে উদ্যোগতা সকলে। অহা ১৪ ছেপ্টেম্বৰ দেওবাৰে ৰজাআলি খেলপথাৰত ৰজাআলি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত এককালীন প্ৰাইজমানি ফুটবল (২০২৫) শুভাৰম্ভণি কৰা হ'ব। খেলখনত প্ৰথম পুৰস্কাৰ হিচাপে ২৪ ইঞ্চি ট্ৰফি আৰু নগদ ৫১ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে ২৪ ইঞ্চি ট্ৰফি আৰু নগদ ৩১ হাজাৰ টকা বিজয়ী দলক পুৰস্কাৰ হিচাপে আগবঢ়াব বুলি জানিব দিয়ে খেল পৰিচালনা কমিটীৰ সভাপতি জহুৰ আলী আৰু সম্পাদক জাকিৰ হুছেইনে। উক্ত ফুটবল প্ৰতিযোগিতাত সমূহ ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা কামনা কৰে খেল পৰিচালনা কমিটীয়ে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ আত্মৰক্ষাৰ প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১২ ছেপ্তেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ উদ্যোগত গড়গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত গড়গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্মৰক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা তথা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিকাশ হাজৰিকাই আঁতধৰা উক্ত অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰ জ্যোতি মহন্ত, গড়গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পংকজ গগৈ, নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰুহিত বৰুৱাৰ লগতে প্ৰশিক্ষক হিচাপে কংফু, উচু খেলুৱৈ তথা শিমলুগুৰি নগৰ প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক অসীম গগৈ উপস্থিত থাকে। প্ৰশিক্ষক অসীম গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উপকৃত হোৱাকৈ বক্তব্য ৰখাৰ উপৰিও আত্মৰক্ষাৰ কলা সমূহ প্ৰদৰ্শন কৰে। তেওঁ সুস্থ সবল দেহৰ বাবে সকলোকে স্বাস্থ্যৰ প্ৰতি যতন লোৱাৰ লগতে দৈনিক খেলৰ চৰ্চা কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা নাচিৰুদ্দিন আলী, সভাপতি ৰঞ্জনা দত্ত, উপ-সভাপতি ৰুকচানা বেগম, যুটীয়া সম্পাদক ৰহমত আলীৰ লগতে চাহিন আফ্ৰিদী, কৃষ্ণা দাস, নাচ পাৰবিন উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ উদ্দেশ্যৰে অনাগত দিনত গঠনমূলক কাৰ্যসূচী হাতত লৈ যাব বুলি জানিবলৈ দিয়ে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা বিকাশ হাজৰিকাই।

# গোসাঁইগাঁৱত APB দলৰ বিশাল গণ-সমাৱেশ

**অসম বাৰ্তা, গোসাঁইগাঁও, ১২ ছেপ্তেম্বৰ ঃ** সমাগত বিটিচি নিৰ্বাচনৰ পটভূমিত অসমৰ ৰাজনৈতিক ক্ষেত্ৰত পুনৰ উৎসাহ-উদ্দীপনাৰ পৰিৱেশ সৃষ্টি হৈছে। এই পৰিস্থিতিত সকলো ৰাজনৈতিক দলে নিজৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ভোটপ্ৰচাৰত ব্যস্ত হৈ পৰিছে। তেনে সময়তে বহু দিন ধৰি প্ৰচাৰৰ ব্যস্ত থকা APB দলটোৱে আজি এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰে। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত গোসাঁইগাঁৱৰ হাব্ৰুবিল ইউ এন ব্ৰহ্ম খেলপথাৰত APB দলৰ উদ্যোগত আয়োজিত এক বিশাল গণ-সমাৱেশ। দলটোৰ এই সমাৱেশত জিলাৰ আঠটা সমষ্টিৰ প্ৰাৰ্থীসকলৰ লগতে উপস্থিত থাকে দলৰ মুখ্য নেতা তথা সভাপতি অঞ্জলি দৈমাৰী। সমাৱেশত অংশগ্ৰহণ কৰা মুখ্য বক্তাসকলে APB দলৰ দৃষ্টিভংগী, আগন্তুক লক্ষ্যসমূহ, লগতে অঞ্চলটোৰ সাৰ্বিক উন্নয়নৰ বাবে দলটোৱে গ্ৰহণ কৰা নীতি-নিৰ্ধাৰণ আৰু পদক্ষেপসমূহ সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে। বক্তাসকলে উল্লেখ কৰে যে দলটোৱে শুদ্ধ ৰাজনীতি, স্বচ্ছতা আৰু ন্যায়ভিত্তিক শাসনৰ দিশে আগবাঢ়িবলৈ দৃঢ় প্ৰতিজ্ঞ। দৰ্শকৰ উপস্থিতি আৰু জনসমাগমৰ দিশৰ পৰা এই গণ-সমাৱেশক APB দলটোৰ ইতিহাসত অন্যতম সফল আৰু স্মৰণীয় অনুষ্ঠান হিচাপে গণ্য কৰা হৈছে। উপস্থিত দলীয় কৰ্মী, সমৰ্থক আৰু সাধাৰণ ৰাইজৰ উৎসাহ উদ্দীপনাই দলটোৰ আগন্তুক ভোটত নতুন আত্মবিশ্বাসৰ সঞ্চাৰ কৰিছে বুলি দলীয় জানিবলৈ দিয়ে।

# জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুজন অৱসৰপ্ৰাপ্ত শিক্ষকক ৰাজহুৱা সম্বৰ্ধনা

**অসম বাৰ্তা, মেৰাপানী, ১২ ছেপ্তেম্বৰ ঃ** গোলাঘাট জিলা পূৱ শিক্ষা খণ্ডৰ অন্তৰ্গত জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ গ্ৰহণ কৰা উপাধ্যক্ষ ভাৰত বৰা আৰু জ্যেষ্ঠ সহকাৰী শিক্ষক পুলক বাৰিকক আজি বিপুল ভাৱে ৰাজহুৱা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সেই উপলক্ষে আজি জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা উৎপলা ভুএগ্ৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন আঁত ধৰে বিদ্যালয়ৰ সহকাৰী শিক্ষক দ্বীপেন বৰাই। অনুষ্ঠানত উক্ত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মিলন প্ৰভা শইকীয়া, কল্পনা দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষক জীতেন বৰা, মোহন শইকীয়া, শ্যামলী বৰঠাকুৰ, সুৰভী দত্ত, হৰেন বৰা, জামুগুৰি পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি সৰ্বেশ্বৰ শইকীয়া, জামুগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰূপেশ্বৰ বৰুৱা, লক্ষ্মীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বপ্ৰাণ শইকীয়া, তামোলী গাঁও মিলন জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত দত্ত, টেঙানী বৰহোলা হাইস্কুলৰ প্ৰধান শিক্ষক খগেন শইকীয়া, চৰাইমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ শইকীয়া, মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কমৰ উদ্দিন আহমেদ, বৰজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰজত কাকতি, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী যদুমনি বৰা, বনমালী হাজৰিকা, জামুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম শইকীয়াইক, দহমাইলখুঁটি উজ্জ্বল বাল্য ভৱন পাব্লিক স্কুলৰ অধ্যক্ষা ৰূপালী গোঁহাই, সমাজকৰ্মী নিৰোদ ৰাজবংশী, সহকাৰী শিক্ষক শিৱানী বৰুৱা, দেৱব্ৰত গগৈ, প্ৰমোখ্য কেইবাজনো বিশিষ্ট শিক্ষাবিদ, স্থানীয় ৰাইজ, বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, ছাত্ৰ -ছাত্ৰীৰ উপস্থিতিত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভাৰত বৰা আৰু সহকাৰী শিক্ষক পুলক বাৰিকক গামোচা, চেলেং, গ্ৰন্থৰ টোপোলা, জাপি, বস্তৰ টোপোলা, গছপুলি, জাপি, সঁফুৰা আদিৰে বিপুল ভাৱে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি দুয়োজন অৱসৰপ্ৰাপ্ত শিক্ষকক জামুগুৰি পৰীক্ষা পৰিচালনা সমিতি, ছাত্ৰ একতা সভাৰ লগতে বিভিন্ন ব্যক্তি, শিক্ষক -শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে বিপুল ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। ইফালে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে আৰম্ভণিতে সমবেত সংগীত পৰিৱেশন কৰাৰ লগতে আদৰণি ভাষণ প্ৰদান কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নৱ নয়ন চাহু।

# মৈৰাবাৰীত ছেপ্টেম্বৰ মাহৰ 'বাটৰ কবিতা' অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ ছেপ্তেম্বৰ ঃ** আজি বিয়লি ৩ বজাত মৰিগাঁও জিলাৰ মৈৰাবাৰী কলেজ ৰোডস্থিত খাইৰ প্ৰকাশনৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায় ব্যতিক্ৰমী মাহেকীয়া কাব্যানুষ্ঠান 'বাটৰ কবিতা'। ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান ৰূপে সকলোৰে মাজত জনপ্ৰিয় 'বাটৰ কবিতা'ৰ এই মাহৰ অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে ৰাকিফা তাছৰিন, মুহাম্মাদ ফাহিম, খাইৰুল ইছলাম, আফজালুৰ ৰহমান ভূএগ আৰু মুহাম্মাদ আফজালে, লগতে কবিতা আবৃত্তি কৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী ক্ৰমে আফৰুজ আহমেদ, নাহিদ আফ্ৰিন, লানিকা নাৱাৰ আহমেদ আৰু আয়ানা ছনমে। অনুষ্ঠানত পোন প্ৰথমবাৰৰ বাবে উপস্থিত হৈ অনুভৱী মত ব্যক্ত কৰে তৰুণ মজনুন হক চৌধুৰী আৰু আফজালুৰ ৰহমান ভূএগই। তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটিৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মুহাম্মাদ আফজালক ৯৫০৮১-৫৩৮০২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা খাইৰ প্ৰকাশনে আহ্বান জনাইছে।

# ৰাষ্ট্ৰীয় কেৰাটে চেম্পিয়নশ্বিপত অসমৰ সাফল্য

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ ছেপ্তেম্বৰ ঃ** যোৱা ৭ ছেপ্টেম্বৰত পশ্চিমবঙ্গৰ জয়গাঁওস্থিত অগ্ৰসেন ভৱনত অনুষ্ঠিত সৰ্বভাৰতীয় মুকলি ৰাষ্ট্ৰীয় কেৰাটে চেম্পিয়নশ্বিপ I. S. S. K. A.ত অসমৰ এটা ২৩ জনীয়া খেলুৱৈৰ দলে অংশগ্ৰহণ কৰি সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। অসমৰ দলটোৱে এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত পশ্চিম বংগই দ্বিতীয় স্থান আৰু ওড়িশাই তৃতীয় স্থান লাভ কৰে। অসমৰ দলটিত খেলুৱৈ আৰু প্ৰশিক্ষক সহ মুঠ ২৪ জন আছিল। কাটা আৰু কুমিতে বিভাগত অসম দলটোৱে মুঠ ৩৫টা পদক লাভ কৰিবলৈ সক্ষম হয়। Indian National Sports Shotokan Karate-Do Association-ৰ মুখ্য টেকনিকেল সঞ্চালক তথা I.S.S.K.A-ৰ ৭তম দান ব্লেক বেল্টধাৰী কিঅ'চি সুভাস মিত্ৰই অসম দলটোৰ সফলতাৰ বাবে অভিনন্দন জনাইছে।

# সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীক অশালীন মন্তব্য কৰাৰ অভিযোগত গ্ৰেপ্তাৰ নুৰ ইছলাম

**অসম বাৰ্তা, শিমলীতোলা, ১২ ছেপ্তেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত আলোপতি খাটিয়ামাৰীৰ নুৰ ইছলাম নামৰ এগৰাকী পৰ্টেল সংবাদকৰ্মীক ৰাতি ২ বজাত আলোপতি চৰ থানাৰ আৰক্ষীয়ে ঘৰত গৈ গ্ৰেপ্তাৰ কৰাকলৈ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে মুখ্যমন্ত্ৰীক অশালিন মন্তব্য কৰাৰ লগতে সংগ্ৰামী জাতীয় সংগঠনৰ নেতা চিতু বৰুৱাকে আদি কৰি একাংশ ব্যক্তিয়ে মিএগ মুছলমান শ্ৰমিকক অত্যাচাৰ কৰাৰ লগতে সদায় দিয়া কটু মন্তব্যৰ প্ৰত্যুত্তৰত অশালিন মন্তব্য কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে নুৰ ইছলামক। যি সময়ত উজনি অসমত মিএগ খেদা আন্দোলনৰ নামত দুখীয়া মিএগ শ্ৰমিকসকলক অন্যায়ভাৱে অত্যাচাৰ কৰাৰ লগতে মুকলিকৈ কচুকটা দিম বুলি কোৱাৰ পিছতো কোনো পদক্ষেপ লোৱাৰ সাহস নকৰা অসম আৰক্ষীয়ে বিনা দোষত কেৱল মাত্ৰ বিৰোধ কৰাৰ বাবেই গ্ৰেপ্তাৰ কৰাৰ অভিযোগ উত্থাপন কৰে নুৰ ইছলামে। ছচিয়েল মেডিয়াৰ জৰিয়তে দিয়া প্ৰত্যুত্তৰেই কাল হল এই যুৱক জনৰ। আলোপতি আৰক্ষীয়ে পুৱাৰ ভাগত নুৰ ইছলামক জেল হাজতলৈ প্ৰৰণ কৰা বুলি জানিব পৰা গৈছে।

**AFFIDAVIT**

Swarn before Notary Public at Barpeta, that in my child Nur Islam's birth certificate vide Regd No.- 372/09 dtd. 10-09-2009, my name has been wrongly recorded as Samim Begum instead of Taslima Khatun. Applying for correction at the appropriate authority.

Samim Begun
P.O.- Barpeta
Road Post Office
C/O- Atikur Rahman
Dist- Barpeta, Assam

AB-129/2025

**AFFIDAVIT**

Swarn before Notary Public at Nagaon, that in my child Junahid Ansari's birth certificate vide Regd No.- 1472/11 dtd. 16-10-2020, my name has been wrongly recorded as Saleha Begum instead of Taslima Khatun. I Taslima Khatun and Saleha Begum is same and one person and i.e. myself. Applying for correction at the appropriate authority.

Taslima khatun
C/O- Atabur Rahman
R/O- Pamila Ati
P/O- Simaluguri
P/S- Kachua
Dist- Nagaon, Assam

AB-129/2025

**AFFIDAVIT**

Swarn before Notary Public at Dibrugarh, dtd. 09-09-2025, that I Rajib Gogoi and Rajeeb Gogoi is same and one person.

Abhjit Bora
By lane 2,
Milan Nagar
Dibrugarh, Assam

AB-130/2025

**AFFIDAVIT**

I Jiyabur Rahman, S/O- Ali Akbar , R/O- Gerjaipam, P/O- Gerjaipam, P/S- Kachua, Dist- Nagaon swarn before Notary public at Nagaon that in my child namely Monjoor Rahman Sheik's birth certificate vide Reg.No.370 dtd. 01/03/2011 has been recorded in his D.O.B. by double hand written. Applying for correction at the appropriate authority.

AB-131/2025

গোলোকগঞ্জৰ বৰ্বৰ ঘটনাক তীব্ৰ গৰিহণা

# বকোত দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সংবাদমেল

**অসম বাৰ্তা, বকো, ১২ ছেপ্তেম্বৰ ঃ** ৰাজ্যৰ ভূমিপুত্ৰ জনগোষ্ঠী কোচ ৰাজবংশী সকলোৰ দীৰ্ঘদিনীয়া জাতীয় সমস্যা অনুসুচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰা আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত চলাই আহিছে সংগ্ৰাম। ইফালে দীৰ্ঘদিন ধৰি কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতি কৰণৰ বিষয়টো ৰাজনৈতিক ভাৱে সমাধান কৰিবলৈ সময়ে সময়ে আবেদন নিবেদন; দাবী; প্ৰতিবাদ আৰু সংগ্ৰাম - আন্দোলন কৰি আহিছে। ইফালে ৰাজ্যত শাসনাধিষ্ঠ চৰকাৰে সুদীৰ্ঘ দিন ধৰি বঞ্চনা প্ৰতাৰণা কৰি আহিছে। এই ক্ষেত্ৰত কোচ ৰাজবংশী সন্মিলনী, কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী আৰু কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্দোলন প্ৰতি আন্দোলন কৰি আহিছে। উল্লেখ্য যে; কোচ ৰাজবংশী জনগোষ্ঠীৰ অন্যতম সচেতন সংগঠন সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা কালি অৰ্থাৎ ১০ চেপ্তেম্বৰত ধুবুৰীৰ গোলোকগঞ্জত জনগোষ্ঠীটোক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিবলৈ আৰু কোচ ৰাজবংশী সকলোৰ ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত শান্তিপূৰ্ণ জোৰ সমদল কাৰ্য্যসুচী ৰূপায়ণ কৰে। ইফালে কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ প্ৰতিবাদী কাৰ্য্যসূচী শান্তিপূৰ্ণ জোৰ সমদল কাৰ্য্যসুচী সামৰণি পৰাৰ আগ মুহূৰ্তত আকস্মিক ভাৱে ধুবুৰী জিলা প্ৰশাসনৰ নেতৃত্বত প্ৰতিবাদকাৰী সকলোৰ ওপৰত জঁপিয়াই পৰে আৰু জধে মধে লাঠি চালনা কৰে। এই অনাকাংশিত বৰ্বৰ আক্ৰমণৰ ঘটনাত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ শতাধিক কৰ্মী, জনগোষ্ঠীটোৰ আবাল বৃদ্ধ বনিতাকে ধৰি দুই শতাধিক প্ৰতিবাদকাৰী আঘাত প্ৰাপ্ত হোৱা খবৰ পোৱা গৈছে। ৰাজ্য চৰকাৰৰ আৰক্ষী বিভাগৰ এই ঘটনাৰ বৰ্বৰতাক তীব্ৰ নিন্দা কৰিছে কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীয়ে। কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ তৰফৰ পৰা উক্ত ঘটনাক গৰিহণা দি আজি বকোস্থিত চিলাৰায় ভৱনত জিলা সমিতিয়ে আয়োজন কৰে এক সংবাদ মেল। কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতি আৰু বকো আঞ্চলিক সমিতিৰ যুটীয়া উদ্যোগত আয়োজন কৰা সংবাদ মেলত যোৱা কালি সংঘটিত কৰা আৰক্ষীৰ এনে কাণ্ডক তীব্ৰ সমালোচনা কৰি চৰকাৰক ভৰ্চনা কৰি সভাপতি মিলন কুমাৰ দাসে সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলত বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস; উপদেষ্টা গৌৰাংগ চৌধুৰী, কাৰ্য্যকৰী সভাপতি অমৰেন্দ্ৰ দাস; সমল দাস; বিমল দাসৰ উপৰিও বহু কেইজন কৰ্মী উপস্থিত থাকে। সংবাদ মেলত উপদেষ্টা গৌৰাংগ চৌধুৰীয়ে চৰকাৰৰ দমন নীতিৰে কোচ ৰাজবংশী সকলোৰ জাতীয় স্বভিমানত আঘাত হানা কাৰ্য্যক ধিক্কাৰ দিয়ে আৰু ঘটনাত জড়িত আৰক্ষীক দৃষ্টান্তমূলক শাস্তি দিবলৈ দাবী উত্থাপন কৰে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচন

**অসম বাৰ্তা, মাকুম, ১২ ছেপ্তেম্বৰ ঃ** পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত আজি ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন হৈ যায়। ৰাতিপুৱা ৭.৩০ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়াত মুঠ ৭৫.৮০ শতাংশ ভোটদান সম্পন্ন হয়। দিনৰ ১ বজাৰ পৰা ভোটগণনা আৰম্ভ হয়। মুঠ পাঁচটা পদত এইবাৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত সমুদ্ৰ মৰাণ ( সভাপতি), কিৰণ মৰাণ ( সাধাৰণ সম্পাদক), মৃগাংক কোঁৱৰ ( আলোচনী সম্পাদক), পংকজ গগৈ( ক্ৰীড়া সম্পাদক) আৰু চুম্পী দহোতীয়া ( জিমনেছিয়াম সম্পাদক) বিজয়ী হয়। আনহাতে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী প্ৰাৰ্থীসকল হ'ল- বিচিত্ৰ মৰাণ ( উপ সভাপতি), লক্ষ্মী দাধৰা( সহকাৰী সাধাৰণ সম্পাদক), লীজা বৰা ( সাংস্কৃতিক সম্পাদক), ডিম্পল বৰদলৈ ( তৰ্ক আৰু সাহিত্য সম্পাদক), ৰংকুল দহোতীয়া ( সমাজ সেৱা সম্পাদক), শিৱানী মৰাণ ( ছাত্ৰী জিৰণি কোঠা সম্পাদক) আৰু নীৰৱ মৰাণ( ছাত্ৰ জিৰণি কোঠা সম্পাদক)। শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন হোৱা বাবে নিৰ্বাচনৰ মুখ্য ৰিটাৰ্নিং অফিচাৰ তথা অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। এইবাৰ ছাত্ৰ একতা সভাৰ সহকাৰী ৰিটাৰ্নিং বিষয়াৰ দায়িত্বত আছিল ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা আকাংক্ষিতা শৰ্মা আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক লক্ষ্মিপ্ৰসাদ দিহিঙীয়া।

শিক্ষকক অপদস্থ কৰা কাৰ্যক গৰিহণা

# উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনৰ ভাৰপ্ৰাপ্ত প্ৰধানাচাৰ্য হিচাপে পৰেশ দাসৰ কাৰ্যভাৰ গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ছেপ্তেম্বৰ ঃ** উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনত ভাৰপ্ৰাপ্ত প্ৰধানাচাৰ্য হিচাপে দায়িত্ব গ্ৰহণ কৰিছে দদৰা নিকেতনৰ প্ৰধানাচাৰ্য পৰেশ দাসে। ১০ ছেপ্টেম্বৰ তাৰিখে নিকেতনৰ সন্মুখত সংঘটিত হোৱা অপ্ৰীতিকৰ কাৰ্যত লিপ্ত দুস্কৃতিকাৰীসকলে উপপ্ৰধান আচাৰ্য অক্ষয় কলিতাক ৰাজপথত অপদস্থ কৰা কাৰ্যক শিশু শিক্ষা সমিতি অসমৰ প্ৰতিনিধি হিচাপে বৃহস্পতিবাৰে উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনত উপস্থিত হৈ আশুতোষ বৰ্মণ বিভাগ নিৰীক্ষক (নলবাৰী বিভাগ ) ভাস্কৰ দাস ( গুৱাহাটী বিভাগ) নিৰীক্ষক আৰু তপন কুমাৰ শৰ্মা প্ৰধানাচাৰ্য আমবাৰী নিকেতন গৰিহণা দিয়ে। ইয়াৰ লগতে "সকলো পক্ষৰ সহযোগিতাৰে নিকেতনখনক সুস্থ শৈক্ষিক পৰিৱেশৰ ভিতৰত আগুৱাই লৈ যোৱা হ'ব বুলি জানিবলৈ দিছে।" বিদ্যা ভাৰতীৰ নিয়ম-নীতি পালন কৰি সুশৃংখল আৰু ইতিবাচক ভাৱে নিকেতনখন আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে পৰেশ দাস দদৰা নিকেতনত থকা কাৰ্যকালত বিদ্যালয়খনৰ দুজন ছাত্ৰই মেট্ৰিকত ষ্টেণ্ড কৰাৰ লগতে কেই বাজনো ছাত্ৰ-ছাত্ৰী বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰশাসনিক বিষয়া (এচিএছ) হিচাপে সেৱা আগবঢ়াইছে। ইয়াৰ লগতে দুগৰাকী ছাত্ৰই বৈজ্ঞানিক উদ্ভাৱনৰ বাবে ৰাষ্ট্ৰপতিৰ পদক অৰ্জন কৰি অসম বাবে গৌৰৱ অৰ্জন কৰিছে। বিদ্বৎ মহলে, দদৰা নিকেতনত লাভ কৰা একেধৰণৰ সাফল্য আৰু শৃংখলা উত্তৰ গুৱাহাটী নিকেতনতো পৰেশ দাসৰ নেতৃত্বত প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰিছে।

# বৰপেটাৰোডৰ অগ্ৰণী শিক্ষানুষ্ঠান গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ ৩৬ সংখ্যক নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ ছেপ্তেম্বৰ ঃ** বৰপেটাৰোডৰ অগ্ৰণী শিক্ষানুষ্ঠান গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ ৩৬ সংখ্যক নৱাগত আদৰণি সভাত উপস্থিত থাকি অসম চৰকাৰৰ জেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ সাৰুৱা ভাষণত উৎসাহিত হয় ছাত্ৰ-ছাত্ৰী সকল। তেওঁ ছাত্ৰ ছাত্ৰীৰ উদ্দেশ্যে কয় অসম্ভৱ বুলি কোনো কথা নাই। নিষ্ঠা আৰু একগ্ৰতাৰে কাম কৰিলে সকলোৱে উন্নতিৰ পথত আগবাঢ়ি যাব পাৰে। অসম্ভৱৰ মাজতে সম্ভাৱনা লুকাই থাকে। বৰ্তি থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। ভাল কাম কৰিলে সফলতা হব। পৰুৱা লতায়ো সংগ্ৰামত লিপ্ত হয়। একগ্ৰতাৰে অধ্যয়ন কৰিব লাগে। জীৱনৰ লগত সংগ্ৰাম কৰিলে সফলতা হব। মাল্টি ডাইমেনচন হব লাগে। মানুহৰ জীৱনত প্ৰতিটো কৰ্মই গুৰুত্ব পূৰ্ণ কামৰ কোনো সৰু ডাঙৰ নাই বুলি ছাত্ৰ ছাত্ৰী সকলক উৎসাহ যোগোৱা ভাষণ প্ৰদান কৰে আনহাতে 'আমাৰ অসম'ৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই ছাত্ৰ-ছাত্ৰীক মাতৃ ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বাবে অনুৰোধ জনায়। বৰ্তমানৰ প্ৰজন্মৰ একাংশই নিজৰ মাতৃ ভাষাক অৱজ্ঞা কৰি পাশ্চাত্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা বুলি কয় এইয়া জাতিৰ প্ৰতি ক্ষতিকাৰক, আনহাতে নৱাগত আদৰণি সভা সম্পৰ্কে কয় এই পৰম্পৰা ঋষি মুনিৰ দিনত নতুন ছাত্ৰৰ আগমন হৈছিল তেতিয়া, প্ৰৱেশ অনুষ্ঠান পাতিছিল, ৰামায়ণ, মহাভাৰতৰ সময়ত। সেয়াই হয়তো প্ৰথমটো নৱাগত আদৰণি সভা। কিন্তু পৰৱৰ্তী সময়ত পশ্চিমীয়া দেশে এতিয়া প্ৰভাৱ পৰিছে। ফ্ৰেছ পিউপিল। ফ্ৰেছ মেন শব্দৰ পৰাই নৱাগত আদৰণি অনুষ্ঠান। তেওঁ ভাষণ প্ৰসংগত কয় মাতৃ ভাষাক গুৰুত্ব দিব লাগে। মাতৃভাষা আৰু মাতৃ দুগ্ধ সমানেই বিশুদ্ধ। পৃথিৱীত মাকতকৈ একো নাই। ছাত্ৰ ছাত্ৰী সকলক আহ্বান জনায় তোমালোকে যি ভাষাতে নপঢ়া কিয় মাতৃ ভাষাক গুৰুত্ব দিবা বুলি কয়। মাতৃ আৰু মাতৃভাষা ভাষাত কৈ কোনেও ডাঙৰ হব নোৱাৰে বুলি কয়। উন্নত দেশত মাতৃভাষাক প্ৰাধান্য দিয়ে। আমাৰ তিনিজনী মা জন্ম দিয়া মা জন্মভূমি মা, মাতৃভাষা মা। তেওঁ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায় পাপা আৰু মাম্মী বুলি নামাতিবা। পাপা মাম্মীয়ে অসমীয়া ভাষা শেষ কৰি দিছে। সংগীতৰ ক্ষেত্ৰত কয় ১৫ শতিকাতে শংকৰদেৱে ফিউজন কৰিছিল। শংকৰদেৱে ১১ গীত ফিউজন শুন শুন ৰে সুৰ বৈৰী। জাতিক ধ্বংস কৰিবলৈ হলে তাৰ সংস্কৃতি ধ্বংস কৰিলে হল। ইয়াৰ উপৰি আমাৰ অসম'ৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই অসমীয়া সংগীতৰ বিষয়ে গীতেৰে ছাত্ৰ ছাত্ৰী সকলক মুগ্ধ কৰি এঘণ্টা জোৰা ভাষণ প্ৰদান কৰে।। মহাবিদ্যালয় খনৰ অধ্যক্ষা ড° জেউতি তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আজিৰ এই সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মলিন চন্দ্ৰ ডেকা, ছাত্ৰ একতা সভাৰ সম্পাদক হিমাংশু দাস, আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক শ্ৰী গৌতম শৰ্মা আৰু বেহাৰবাৰী আউটপোষ্টৰ কেকে খ্যাত সিদ্ধাৰ্থ শৰ্মাৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকল উপস্থিত থাকে।

# যোৰহাটৰ নৱগঠিত টীয়ক সমষ্টিত চাৰি শতাধিক যুৱকৰ অগপত যোগদান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ ছেপ্তেম্বৰ ঃ** অসম বিধানসভাৰ আগন্তুক নিৰ্বাচনলৈ মাথোঁ কেইমাহমাহ সময় থকা মুহূৰ্তত অগপত যোগদান কৰিলে চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু বৰ্ষীয়ান পুৰুষ-মহিলাই। যোৰহাটৰ ৰাষ্ট্ৰীয় উপ-পথৰ কাষৰ অগপৰ জিলা কাৰ্যালয়ত এই উদ্দেশ্যে অগপৰ ৯৯ নং নৱগঠিত টীয়ক বিধানসভা সমষ্টিৰ উদ্যোগত আয়োজিত বিশাল দলীয় সভাখনত যোৰহাটৰ জে বি, বাহনা, ডি চি বি, সৰ্বোদয়, চি কে বি, যোৰহাট কলেজ, যোৰহাট গভট বয়জ, আই টি আই শিক্ষা প্ৰতিষ্ঠানত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ লগতে পশ্চিম যোৰহাটৰ যুৱ ব্যৱসায়ী গজেন দাসৰ নেতৃত্বত বৃহৎ সংখ্যক পুৰুষ-মহিলাৰ লগতে যুৱক-যুৱতীয়েই অগপ দলটোৰ প্ৰতি আকৰ্ষিত হৈ যোগদান কৰে। যোগদান কৰা পুৰুষ-মহিলাসকলৰ অধিক সংখ্যকেই কংগ্ৰেছ দল ত্যাগ কৰি অগপ দলটোত যোগদান কৰিছে বুলি জানিব পৰা গৈছে। অগপ যোৰহাট জিলা ছাত্ৰ পৰিষদৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰে। টীয়ক বিধান সভা সমষ্টি সমিতিৰ উপ-সভাপতি ৰাজেন কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই অগপ দলত যোগদান কৰা সকলক আদৰণি জনাই বক্তব্য প্ৰদান কৰে। টীয়ক সমষ্টিৰ তত্বাৱধায়কৰ দায়িত্বটো থকা প্ৰদীপ হাজৰিকাই কয় যে, অগপ শক্তিশালী আঞ্চলিকতাবাদী দল। অসমৰ বিপদাপন্নৰ সময়ত প্ৰতিষ্ঠা হোৱা অগপইহে আঞ্চলিকতাবাদক বৰ্তাই ৰাখিব পাৰিব। সমাজ, ভাষা, কৃষ্টি, সংস্কৃতিক বৰ্তাই ৰাখিবলৈ আঞ্চলিকতাবাদৰ অতীৱ প্ৰয়োজন। আগন্তুক নিৰ্বাচনত অগপ দলে শক্তিশালী প্ৰদৰ্শন কৰিবলৈ পৰিকল্পিতভাৱে গাঁৱে-নগৰে কাম কৰি আছে। কেৱল টীয়ক সমষ্টিতে নহয়, সমগ্ৰ অসমতে অগপৰ প্ৰভাৱ বিস্তাৰ কৰিব লাগিব। নল মৰি গজালি ওলোৱাৰ দৰেই অগপৰ কৰ্মীসকলে ভৱিষ্যতে যে দলটোক সুৰক্ষিত কৰি ৰাখিব তাকেই আজি প্ৰমাণ কৰিছে। ৰাজ্যত নতুনকৈ বিধান সভা সমষ্টিৰ সীমা নিৰ্ধাৰণ কৰাৰ পাছত আমগুৰি সমষ্টিটো চিৰদিনৰ বাবে বিলুপ্ত হ'ল। টীয়ক বিধান সভা সমষ্টিত আমগুৰি সমষ্টিৰ বৰ্তমানৰ বিধায়ক প্ৰদীপ হাজৰিকাই আগন্তুক বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থিত্বৰ দাবী কৰিব নেকি বুলি সাংবাদিকৰ প্ৰশ্নৰ পৰা কৌশলেৰে উত্তৰ দিয়াৰ চেষ্টা কৰি কয়, প্ৰবল দাবীদাৰ বুলি ৰাইজেহে কোৱা-কুই কৰিছে। নৱগঠিত টীয়ক সমষ্টি সমিতিৰ উপ-সভাপতি প্ৰকাশ চন্দ্ৰ বৰাই আঁতধৰা সভাখনত দেৰগাঁও সমষ্টিৰ বিধায়ক তথা টিয়ক সমষ্টি সমিতিৰ সভাপতি ভবেন্দ্ৰনাথ ভৰালী, অগপ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পুতুল বৰুৱা, টীয়ক সমষ্টি সমিতিৰ উপ-সভাপতি অমূল্য বৰা, ৰাজু দলে, অগপৰ যোৰহাট সমষ্টিৰ সম্পাদক হৰিশ শইকীয়া, অশোক দাস, অগপৰ কৃষক পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰূপক দত্ত, যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সুদৰ্শন হাজৰিকা, যোৰহাট জিলা ছাত্ৰ পৰিষদৰ সভাপতি হৃদয়ানন্দ বৰা, মহিলা পৰিষদৰ সম্পাদিকা লক্ষ্মীমাই দাস উপস্থিত থকাৰ লগতে যোগদান কৰা বহুকেইগৰাকীয়ে মনৰ ভাৱ ব্যক্ত কৰে।

বিলাসী বাহনৰ পৰা দুটা চোৰাং গৰু উদ্ধাৰ

# ৰূপহীহাটৰ ঔঅনাত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ৰূপহীহাট, ১২ ছেপ্তেম্বৰ ঃ** ৰূপহীহাটৰ ঔঅনাত আজি ৰাতিপুৱা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এএছ-০১-এআৰ-০৯৮৭ নম্বৰৰ বিলাসী বাহনেৰে চোৰৰ দল এটাই গৰু চুৰি কৰি লৈ গৈ আছিল। চোৰৰ দলটোৱে গৰু চুৰি কৰি লৈ যোৱাৰ সময়ত ঔঅনা পোৱাৰ সময়তে গাড়ীখনৰ যান্ত্ৰিক বিজুতি ঘটে। যাৰ বাবে চোৰৰ দলটো গাড়ীৰ পৰা নামি পলায় যোৱা দেখি স্থানীয় ৰাইজৰ সন্দেহ হয়। ৰাইজ গাড়ীখনৰ ওচৰত গৈ দেখা পালে গাড়ীখনৰ ভিতৰত দুটা গৰু। গাড়ীৰ ভিতৰত গৰু দেখা পোৱাৰ লগে লগে ৰাইজৰ সন্দেহ হল যে এইটো চোৰৰ গাড়ী আৰু চোৰে এই গাড়ীৰে গৰু চুৰি কৰি আনিছে। লগে লগে ৰাইজ উত্তেজিত হৈ গাড়ীখন ভাঙি লণ্ড-ভণ্ড কৰি ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ দুটা চোৰাং গৰু আৰু গাড়ীখন জব্দ কৰে। চোৰাং গৰু অনা গাড়ীখনৰ চালক ফৰিদুল ইছলাম বুলি ৰাইজে চিনাক্ত কৰিছে। উল্লেখ্য যে ৰূপহীহাটৰ বিভিন্ন প্ৰান্তত প্ৰায় প্ৰতি নিশাই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। চোৰৰ দলটোৱে গৃহস্থৰ নিদ্ৰা হৰণ কৰি আহিছিল। গৰু চোৰ চক্ৰটোৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে প্ৰশাসনৰ ওচৰত।

গ্ৰন্থমেলাৰ উদ্বোধন

# ডুমডুমা মহাবিদ্যালয়ত এশগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গালে সুধাকণ্ঠৰ গীত

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৯ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যজুৰি পালন কৰা সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ ডুমডুমাৰ বিভিন্ন ঠাইত একাধিক কাৰ্যসূচীৰে উদযাপন কৰা হয়। ৮ ছেপ্টেম্বৰৰ পুৱা ৯-০০ বজাত ডুমডুমা মহাবিদ্যালয়ত 'সতীৰ্থ জ্ঞান যাত্ৰা'ৰ সহযোগত সুধাকণ্ঠৰ শতবৰ্ষৰ লগত সংগতি ৰাখি তিনিদিনীয়াকৈ আয়োজন কৰা গ্ৰন্থমেলাত বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত, বিশিষ্ট চিকিৎসক ডাঃ প্ৰণৱজ্যোতি ডেকাই এই বন্তি প্ৰজ্বলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ প্ৰাংগণত গ্ৰন্থমেলা উন্মোচন কৰাৰ পাছতেই অধ্যাপক দীপক ৰঞ্জন বৰুৱাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ এশগৰাকী ছাত্ৰ-ছাত্ৰীসহ মহাবিদ্যালয়ৰ শিক্ষকসকলক লৈ "অসম আমাৰ ৰূপহী" গীতটি সমবেতভাৱে পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ 'কল্লোল' প্ৰেক্ষাগৃহত সুধাকণ্ঠৰ বিভিন্ন গীত-কবিতাৰ অনুষ্ঠান অনুষ্ঠিত হয়।

# অভয়াপুৰীৰ বন বিষয়াৰ কাৰ্যালয়ত বন শ্বহীদ দিৱস

**অসম বাৰ্তা, লেংটিছিঙা, ১২ ছেপ্তেম্বৰ ঃ** বঙাইগাঁও আই উপত্যকা বন সংমণ্ডলৰ অধীনস্থ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত আজি বন শ্বহীদ দিৱস পালন কৰে। এই উপলক্ষে বন সম্পদ সুৰক্ষাৰ বাবে আত্মবলিদান দি শ্বহীদ হোৱা সকললৈ শ্ৰদ্ধা নিবেদন কৰে বন বিষয়া ছালামুদ্দিন সৰকাৰৰ লগতে বন কৰ্মীসকলে। তাৰ পিছতে কাৰ্যালয় চৌহদত অনুষ্ঠুপীয়াকৈ সভা এখনো অনুষ্ঠিত হয়। সভাত বন বিষয়া সৰকাৰে বন শ্বহীদ দিৱস পালন সন্দৰ্ভত কয় যে ১৭৩০ চনত ৰাজস্থানত ৰজাই গছ-গছনি কটাৰ বাবে সেনাক নিৰ্দেশ দিছিল। তেতিয়া বন সুৰক্ষাৰ বাবে ৰাইজ ওলাই আহি গছ কটাত বাধা দিছিল। ফলত আজিৰ দিনটোতে সেনাৰ হাতত নিহত হৈছিল ৩৬৪জন বনপ্ৰেমী। আৰু পৰৱৰ্তী সময়ত বনপ্ৰেমী সকলক বন শ্বহীদ ঘোষণা কৰি প্ৰতি বছৰে আজিৰ দিনটো বন শ্বহীদ হিচাবে পালন কৰি শ্বহীদসকললৈ শ্ৰদ্ধা জনাই অহা বুলি কয় বন বিষয়া সৰকাৰে।

# ডিব্ৰুগড়ত মেচ কছাৰী স্বায়ত্ত্ব শাসনৰ শীঘ্ৰে কাৰ্যকৰী কৰাৰ দাবীত সংবাদমেল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ ছেপ্তেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বাণীপুৰত আজি (১১-৯-২৫)মেচ কছাৰী জাতীয় পৰিষদ, অসমৰ এখন সংবাদ মেল আয়োজন কৰি জনগোষ্ঠীটোক স্বায়ত্ত্ব শাসন প্ৰদান কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুমাহৰ ভিতৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনজাতীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ কুমাৰ পেগুক আহ্বান জনোৱা কাৰ্যক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সংবাদ মেল সম্বোধন কৰি কেন্দ্ৰীয় সমিতিৰ সভাপতি দুলাল মেচে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই কয় যে ২০০৭ চনৰ ফেব্ৰুৱাৰীত গঠন হোৱা মেছ কছাৰী জাতীয় পৰিষদে জন্মলগ্নৰে পৰা মেছ কছাৰী সকলে স্বায়ত্ত্ব শাসনৰ দাবী জনাই আহিছে অসম চৰকাৰক। অসমৰ প্ৰাচীন জনগোষ্ঠীয় মেচ কছাৰী সকলৰ আচাৰ নীতি, সমাজ-সংস্কৃতি, খাদ্যাভাষ, সাজপাৰ, নৃত্য-গীতৰ প্ৰকাশ, বিকাশ, সংৰক্ষণ, সংবৰ্ধন কৰাৰ লগতে জনগোষ্ঠীটোৰ সাংগঠনিক দিশসমূহৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি জনগোষ্ঠীটোৰ সৰ্বাংগীণ উন্নতিৰ বাবে দীঘদিনীয়া আন্দোলনৰ কৰি অহা জনগোষ্ঠীটোক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আগন্তুক দুমাহৰ ভিতৰত মেচ কছাৰী সকলক স্বায়ত্ত্ব শাসনৰ যাৱতীয় প্ৰদক্ষেপ গ্ৰহণ কৰিবলৈ জনোৱাত সংগঠনটিয়ে উৎফুলিত হৈ মন্ত্ৰীগৰাকীক ধন্যবাদ জনায়। এই সংবাদমেলত মেচ কছাৰী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা চন্দন মেচ, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কমল মেচ, জিলা সভাপতি মনোজ কছাৰীসহ মহিলা পৰিষদৰ লগতে অন্যান্য কৰ্মকৰ্তা সকল উপস্থিত আছিল।

# কোঁচ-ৰাজবংশীসকলক পুলিচে কৰা আক্ৰমণক কাৰ্যক তীব্ৰ নিন্দা 'আছা'ৰ

**অসম বাৰ্তা, লীলাবাৰী, ১২ ছেপ্তেম্বৰ ঃ** সদৌ অসম কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ আহ্বানত গোলকগঞ্জত নিজ সাংবিধানিক অধিকাৰ বিচাৰি ৰাজপথলৈ ওলাই অহা সাধাৰণ জনতাৰ ওপৰত পুলিচী বৰ্বৰ অত্যাচাৰক সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ই তীব্ৰ নিন্দা কৰিছে। 'আছা'ৰ সভাপতি গডউইন হেমৰম আৰু সাধাৰণ সম্পাদক অমৰ জ্যোতি চুৰিণৰ দ্বাৰা স্বাক্ষৰিত প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে, ২০১৯ চনতে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে গঠিত মন্ত্ৰী গোটে আজি ২০২৫ লৈকে সাধাৰণ প্ৰতিবেদন এটা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ সক্ষম নহ'ল। ৰাজ্যৰ বিজেপি চৰকাৰৰ বিফলতাৰ জবাবদিহি হোৱাৰ সলনি সাধাৰণ নাগৰিকৰ দাবী নৎসাৎ কৰি দমনমূলক নীতি গ্ৰহণ কৰা বিজেপি চৰকাৰৰ প্ৰতি ৰাইজে আগন্তুক ২০২৫ ৰ বিটিআৰ আৰু ২০২৬ ৰ বিধানসভা নিৰ্বাচনত বেলটেৰে জবাব দি নিজৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সমূহ গণতান্ত্ৰিক ৰাইজলৈ আহ্বান জনাইছে। লগতে সকলো জাতীয় আৰু ৰাজনৈতিক দল-সংগঠনক সাধাৰণ ৰাইজৰ ওপৰত হোৱা এনে বৰ্বৰ ঘটনাক ধিক্কাৰ জনাই ছয় জনগোষ্ঠীক শীঘ্ৰেই জনজাতিকৰণ কৰিবলৈ চৰকাৰৰ ওপৰত তীব্ৰ হেঁচা প্ৰয়োগৰ বাবে সকলোকে একত্ৰিত হৈ যুঁজ দিয়াৰ আহ্বান জনায় সংগঠনটোৱে।

# ধুবুৰীত সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদৰ প্ৰতিষ্ঠাপক সভাপতি এ এ এম ইনামুল হকৰ প্ৰথম মৃত্যু বাৰ্ষিক উদযাপন

**অসম বাৰ্তা, ধুবুৰী, ১২ ছেপ্তেম্বৰ ঃ** আজি সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদ, অসমৰ উদ্যোগত আৰু অভ্যৰ্থনা সমিতিৰ সহযোগত ধুবুৰীৰ ধৰ্মশালাত সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি এ এ এম ইনামুল হকৰ প্ৰথম মৃত্যু বাৰ্ষিক উদযাপন অনুষ্ঠিত হয়। উপস্থিত থাকে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি মনজিৰুল হাসান (ৰাণা), আজাদ আলী সেখ (সাধাৰণ সম্পাদক) গুলবৰ হোসেইন (উপ-সভাপতি) ধুবুৰী জিলা সংসদৰ সভাপতি মনচুৰ ৰহমানৰ লগতে বিভিন্ন আঞ্চলিকৰ পৰা অহা বিষয় ববীয়া সকল। কাৰ্যসূচীৰ আৰম্ভণিতে, প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ইনামুল হকৰ ফটোত মাল্য অৰ্পণ, তেখেতৰ স্মৃতিত বৃক্ষৰোপণ আৰু আত্মাৰ চিৰ শান্তিৰ বাবে ২ মিনিট মৌনতা অৱলম্বন কৰি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত প্ৰয়াত সভাপতি গৰাকীৰ জীৱন কাহিনীৰ লগতে সংগঠনটো প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তেখেতৰ অৱদান, ঘাত প্ৰতিঘাত আদি স্মৰ্ণীয় দিনবোৰৰ বিষয়ে বিভিন্ন জনে দাঙি ধৰে। আগন্তুক দিনত আমি সংঘটিত ভাৱে অসমৰ বুকুত এটা বলিষ্ঠ জাতীয় সংঘটন হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰোঁ। তাৰ বাবে আজি আমি সকলোৱে অংগীকাৰবদ্ধ হলো। লগতে কয়, ইনামুল হকে দেখুৱাই যোৱা বাটেৰে আমি দেশী জনগোষ্ঠীয় সংঘটনটোক আগুৱাই লৈ যাম। এই সংকল্পৰে আজি আমি ইয়াত সমবেত হৈছোঁ বুলি সংঘটনটোৰ কেন্দ্ৰীয় সভাপতি মনজিৰুল হাসানে সাংবাদিকৰ আগত জানিবলৈ দিয়ে। আজিৰ এই কাৰ্যসূচীত ধুবুৰী জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ পৰা অহা তিনিশৰো অধিক ৰাইজে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

# সৃজনগ্ৰাম সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

**অসম বাৰ্তা, অভয়াপুৰী, ১২ ছেপ্তেম্বৰ ঃ** অভয়াপুৰী সম জিলাৰ অন্তৰ্গত সৃজনগ্ৰাম সমবায় সমিতি লিমিটেডৰ ২০২৪-২৫ বৰ্ষৰ সাধাৰণ সভাখন অহা ২০ ছেপ্তেম্বৰত সৃজনগ্ৰাম বৰঘোলা সমূহীয়া ভৱনত দিনৰ ১২-৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব। সমবায় আইন-২০০৭ৰ ১৩০(১) নং ধাৰা মতে ২০২৪-২৫ ইং সমবায় বৰ্ষৰ বছৰেকীয়া সাধাৰণ সভাখনৰ আয়োজন কৰা হৈছে। উক্ত সভাত সভাপতিৰ আসন গ্ৰহণ, যোৱা সাধাৰণ সভাৰ কাৰ্য বিৱৰণী পাঠ আৰু দৃঢ়ী কৰণ, সম্পাদকীয় প্ৰতিবেদন পাঠ আৰু দৃঢ়ী কৰণ, ২০২৪-২০২৫ ইং চনৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন দাখিল আৰু গ্ৰহণ, বিভাগীয় হিচাপ পৰীক্ষকৰ হিচাপ দাখিল আৰু গ্ৰহণ, ২০২৫-২০২৬ ইং চনৰ সম্ভাব্য বাজেট গ্ৰহণ, ২০২৫-২০২৬ ইং বৰ্ষৰ ঋণৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ, আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ, তাৰ পাৰিতোষিক নিৰ্ধাৰণ কৰা আৰু আন আন আৰু সভাপতিৰ আদি কাৰ্য ৰূপায়ণ কৰা হ'ব। উক্ত দিনা সমবায় খনৰ সমূহ অংশীদাৰক যথা সময়ত উপস্থিত হৈ সভাৰ কাম সাফল্য মণ্ডিত কৰিবলৈ সমবায় খনৰ সভাপতি/ সম্পাদক ক্ৰমে ৰোহিণী ৰাজবংশী আৰু অমৰেন্দ্ৰ নাৰায়ণ সিংহই এক বিজ্ঞপ্তি যোগে জানিবলৈ দিছে।

সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত শিক্ষিত যুৱ চামে আগবাঢ়ি আহিব লাগিব ঃ দোস্ত হাবিবুৰ ৰহমান

# গৰৈমাৰীৰ মাজৰটোপ উঃমাঃ বিদ্যালয়ৰ নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, গৰৈমাৰী, ১২ ছেপ্তেম্বৰ ঃ** কিতাপৰ বিদ্যাই বিদ্যা নহয়। ছাত্ৰ-ছাত্ৰীসকলে আজিৰ যুগত কিতাপৰ বিদ্যাৰ লগতে কৰ্মমুখী বিদ্যাও অৰ্জন কৰিব লাগিব। ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰি গৰৈমাৰীৰ ছায়েন্স একাডেমীৰ অধ্যক্ষ দোস্ত হাবিবুৰ ৰহমানে এইদৰে কয়। তেওঁ পুনৰ কয়—সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত শিক্ষিত যুৱ চামে আগবাঢ়ি আহিব লাগিব। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কৈলাস কলিতাৰ সঞ্চলনাত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্বৰ্ধনাপৰ্ব পৰিচালনা কৰে শিক্ষক ছামচুল হকে। মুকলি সভাত মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ইমদাদুল খানে আদৰণি ভাষণ প্ৰদান কৰা সভাত মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আব্বাছ আলী আহমেদ, আক্কাছ আলী আহমেদ, চাম্পুপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ সৰবত আলী আহমেদ, গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ অধ্যাপক তৈয়বুৰ ৰহমান খান, ড° শ্বেখ মজিবৰ ৰহমানে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণ ৰাখে। মুকলি সভাত শৈক্ষিক তত্ত্বাৱধায়ক জিয়াউৰ ৰহমান, অৱসৰী শিক্ষক আশ্ৰাফুল আনোৱাৰ, পূৱ-ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ৰফিকুল ইছলাম মাজৰটোপ গাঁও পঞ্চায়তৰ সভানেত্ৰী লাডলী বেগম, গৰৈমাৰীৰ আদৰ্শ বিদ্যালয়, ছয়গাঁৱৰ অধ্যক্ষ মুক্তাক আহমেদকে প্ৰমুখ্য কৰি ভালেসংখ্যক সন্মানীয় ব্যাক্তি উপস্থিত থাকে। মুকলি সভাৰ পূৰ্বে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিনাকি পৰ্ব অনুষ্ঠিত হয়। মুকলি সভাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত পৰিবেশন কৰে।

# নগাঁৱৰ ডিমৌত পি.এন. বি.ৰ চেচুৰেছন অভিযানৰ সভা

**অসম বাৰ্তা, নগাঁও, ১০ ছেপ্তেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ডিমৌ চাৰিআলিৰ সমূহীয়া ভৱনৰ সভাকক্ষত পঞ্জাব নেশ্যনেল বেংক (পি এন বি) ৰ ফুলগুৰি শাখাৰ সৌজন্যত বিত্তীয় অন্তৰ্ভুক্তি আঁচনিৰ বাবে পি এন বি চেচুৰেচন অভিযানৰ ইতিমধ্যে এখনি সজাগতা সভা অনুষ্ঠিত হয়। সেই সভাত ৰিৰ্জাভ বেংক অৱ্ ইণ্ডিয়া (আৰ বি আই) ৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, এফ আই ডি ডিৰ ডি জি এম পুনম চেতীয়া, এল ডি অ' সন্তোষ কুমাৰ, পি এন বিৰ উপ চক্ৰৰ মুৰব্বী মহম্মদ খুৰ্বৰ্চিদ আলম, নগাঁও জিলাৰ এল ডি এম মনিৰাম বসুমতাৰী আৰু স্থানীয় গাঁও পঞ্চায়ত সভাপতি টুটুমনি ডেকাই সমল ব্যক্তিৰূপে ভাষণ ৰাখে। পি এন বিৰ ফুলগুৰি শাখাৰ জ্যেষ্ঠ প্ৰবন্ধক কুণ্ডন মেছৰামৰ বিশেষ পদক্ষেপত যোৱা ৫ ছেপ্টেম্বৰত আয়োজন কৰা বিশেষ সভাখনত জীৱিকা সখী, বেংক সখী, বীমা সখী, কৃষি সখী, পশুধন সখী, সংযোগ সখী আৰু চি এছ পিৰ পৰিচালক সকলকে ধৰি চাৰি শতাধিক গ্ৰাহক ৰাইজ উপস্থিত থকা সভাখনৰ আঁত ধৰে যুৱ উদ্যোগী ৰূপজ্যোতি বৰাই। এই সভাখনত সভাখনত পি এম জে জে বি ৱাই, পি এম এছ বি ৱাই আৰু এ পি ৱাইকে ধৰি বিভিন্ন চৰকাৰী আঁচনিসমূহৰ জৰিয়তে গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজক সুযোগ গ্ৰহণৰে আগবাঢ়ি আহিবলৈ সমল ব্যক্তিসকলে আহ্বান জনাই। মনকৰিবলগীয়া যে, পি এন বিৰ ফুলগুৰি শাখাৰ দ্বাৰা অনুষ্ঠিত কৰা এই আৰ্থিক সমাবেশন সভাৰ জৰিয়তে ৰাইজক চৰকাৰী বিত্তীয় আঁচনিৰ বহুখিনি বিষয় জানিবলৈ দিয়াত সাধাৰণ ৰাইজ বিশেষভাৱে উপকৃত হৈছে।

## সম্পাদকীয়

# বাতৰি কাকতৰ পুনৰুজ্জীৱন; আশা আৰু প্ৰত্যাহ্বান



দেশত দৈনিক বাতৰি কাকতৰ প্ৰচলনৰ সংখ্যা বৃদ্ধি পোৱাৰ খবৰটো ছপা মাধ্যম উদ্যোগৰ বাবে এক আশাৰ বতৰা। অডিট ব্যুৰ' অৱ্ চাকুলেচন (এ বি চি)ৰ তথ্য অনুসৰি, ২০২৪ চনৰ জুলাইৰ পৰা ডিচেম্বৰলৈ গড় হিচাপত ২,৮৯,৪১,৮৭৬ খন কাকত বিক্ৰী হৈছিল, যিটো চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা জুনলৈ ২,৯৭,৪৪,১৪৮ খনলৈ বৃদ্ধি পাইছে। অৰ্থাৎ ৮,০২,২৭২ খন অধিক কাকত বিক্ৰী হৈ ২.৭৭ শতাংশ বৃদ্ধি ঘটিছে। এ বি চিৰ সচিবপ্ৰধান আদিল কাছাদেৰ মতে, এই পৰিসংখ্যাই পাঠকসকলৰ বিশ্বাসযোগ্য আৰু সত্যনিষ্ঠ তথ্যৰ বাবে ছপা কাকতৰ ওপৰত নিৰ্ভৰশীলতা প্ৰতিফলিত কৰিছে। এই বৃদ্ধিয়ে ছপা মাধ্যমৰ শক্তিশালী ভূমিকা পুনৰ স্থাপন কৰিছে।

ছপা বাতৰি কাকতৰ প্ৰয়োজনীয়তা আজিও অপৰিহাৰ্য। ডিজিটেল যুগত ছ'চিয়েল মিডিয়া আৰু অনলাইন পৰ্টেলত মিথ্যা তথ্য আৰু ফেক নিউজৰ সোঁতে পাঠকসকলক বিভ্ৰান্ত কৰিছে। তাৰ বিপৰীতে, ছপা কাকতে পৰীক্ষিত তথ্য, গভীৰ বিশ্লেষণ আৰু নিৰপেক্ষতা প্ৰদান কৰে। ইয়াৰ দ্বাৰা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সমাজত সচেতনতা সৃষ্টি কৰে, বিশেষকৈ গ্ৰাম্য অঞ্চলত য'ত ইন্টাৰনেটৰ সুবিধা সীমিত। শিক্ষা, স্বাস্থ্য, ৰাজনীতি আদি ক্ষেত্ৰত ছপা কাকতে পাঠকক বাৰ্তা দিয়াত সক্ষম, যি ডিজিটেল মাধ্যমত অভাৱ।

কিন্তু বিগত দশকত ছপা কাকতৰ প্ৰচলন হ্ৰাস হোৱাৰ কাৰণসমূহো উল্লেখযোগ্য। ডিজিটেল ৰূপান্তৰৰ ফলত স্মাৰ্টফোন আৰু নিউজ এপৰ উত্থানে পাঠকসকলক তৎক্ষণাত তথ্য প্ৰাপ্তিৰ সুবিধা দিছে, যি ছপা কাকতৰ দৈনিক বিতৰণ ব্যৱস্থাক প্ৰত্যাহ্বান জনাইছে। ছ'চিয়েল মিডিয়াৰ ফলত বিনামূলীয়া তথ্যৰ প্ৰবাহ বৃদ্ধি পাইছে, যি বিজ্ঞাপনৰ আয় হ্ৰাস কৰি উদ্যোগটোক আৰ্থিক সংকটত পেলাইছে। পৰিৱেশগত কাৰণ যেনে কাগজৰ ব্যৱহাৰৰ বিৰোধিতা আৰু উচ্চ উৎপাদন খৰচে প্ৰচলন হ্ৰাসত ভূমিকা লৈছে। ক'ভিড মহামাৰীৰ সময়ত লকডাউনে বিতৰণ ব্যৱস্থা বিঘ্নিত কৰি পৰিস্থিতি আৰু বেয়া কৰিছিল। ফলত বহুতো প্ৰকাশন গোষ্ঠীয়ে কৰ্মচাৰীক আঁতৰাব লগা আৰু সংস্কৰণ বন্ধ কৰিবলগীয়া পৰিস্থিতি হৈছিল।

এই বৃদ্ধিয়ে ছপা কাকতৰ ভৱিষ্যতৰ বাবে আশাৰ সংকেত দিয়ে। পাঠকসকলৰ বিশ্বাস পুনৰ লাভ কৰিবলৈ মানসম্পন্ন তথ্য, স্থানীয় খবৰৰ ওপৰত গুৰুত্ব আৰু ডিজিটেল-প্ৰিন্ট হাইব্ৰিড মডেল গ্ৰহণ কৰিব লাগিব। লগতে চৰকাৰী নীতিয়ে বিজ্ঞাপন সাহায্য আৰু কৰ ৰেহাই দি সহায় কৰিব পাৰে।

ছপা কাকত যদি পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই লয়, তেন্তে ইয়াৰ ভূমিকা অমৰ হৈ থাকিব। এই বৃদ্ধিয়ে প্ৰমাণ কৰিছে যে সত্যৰ সন্ধানত পাঠকসকলে এতিয়াও খবৰ কাগজক বিশ্বাস কৰে।

অসমৰ অসমীয়া কৃষকসকলে বছৰেকত মূলতঃ এটা খেতি কৰে আৰু সেইটো হ'ল ধান খেতি। আজিকালি ধান খেতি কৰিবলৈও বহুলোকে এৰি দিছে। বহু ঠাইত কৃষি ভূমি বতানি হৈ পৰি থকাটো এতিয়া এক সহজলভ্য দৃশ্য। এটাতকৈ অধিক খেতি কৰিবলৈ আগ্ৰহী-সকলৰো সমস্যা এটাই - উদণ্ডীয়া জীৱ-জন্তুৰ অত্যাচাৰ। জীৱ-জন্তু মুকলিকৈ মেলি দিয়া ব্যৱস্থাটোৱে অসমৰ কৃষি অৰ্থনীতিৰ ক্ষতি কৰাৰ উপৰিও পৰিৱেশৰো ব্যাপক ধ্বংস সাধন কৰিছে। আচলতে জীৱ-জন্তুৰ মুকলি বিচৰণ বন্ধ কৰিবলৈ এখন কঠোৰ আইনৰেই প্ৰয়োজন হৈছে।

# মধ্যভোগীৰ দৌৰাত্ম্য, পশুপালন আৰু কৃষকৰ আয়

ডাঃ প্ৰবীন কুমাৰ নেওগ

২০১৬ চনৰ ২৮ ফেব্ৰুৱাৰীত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশত কৃষকৰ এখন সভাত কৃষকৰ উপাৰ্জন দুগুণ কৰাৰ কথা কৈছিল আৰু ২০২২ চনৰ ভিতৰত এই লক্ষ্যত উপনীত হ'বলৈ দেশৰ কৃষকক সাজু কৰাৰ কথাও কৈছিল। তাৰ পাছতে তদানীন্তন বিত্তমন্ত্ৰী অৰুণ জেটলিয়ে বাজেট ভাষণত কৈছিল যে "দেশৰ খাদ্য নিৰাপত্তাৰ বাজহাড় হিচাপে বিবেচিত আমাৰ কৃষকৰ প্ৰতি আমি কৃতজ্ঞ। আমি খাদ্য নিৰাপত্তাৰ ওপৰলৈ গৈও চিন্তা কৰাৰ লগতে কৃষকৰ উপাৰ্জনক নিৰাপত্তা নিশ্চিত কৰাটোও প্ৰয়োজন। চৰকাৰে সেয়েহে পমুৱা আৰু অপমুৱা খণ্ডৰ সকলো কৃষিকৰ্মতে নতুনকৈ প্ৰাধান্য দিয়াৰ প্ৰয়োজনবোধ কৰিছে, যাতে ২০২২ চনৰ আগেয়েই আমাৰ কৃষকসকলে নিজৰ উপাৰ্জন দুগুণ কৰিব পাৰে।"

প্ৰধানমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ ঘোষণাৰ পাছতে বিভিন্ন বিশেষজ্ঞই বিভিন্ন মত পোষণ কৰিছিল। ভাৰতবৰ্ষৰ সেউজ বিপ্লৱৰ মূল স্থাপত্যবিদ, নোবেল বঁটাৰ সমপৰ্যায়ৰ 'বিশ্ব খাদ্য পুৰস্কাৰ' বিজেতা এম এছ স্বামীনাথনৰ দৰে কৃষি বিজ্ঞানীয়ে এয়া সম্ভৱ বুলি কৈছিল যদিও অৰ্থনীতিবিদ অশোক দেশাই, কৃষি অৰ্থনীতিবিদ অশোক গুলটি আদিৰ দৰে ব্যক্তিয়ে এয়া সম্ভৱ নহয় বুলিও কৈছিল।

আচলতে ২০২২ বৰ্ষটো আছিল ভাৰতৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ, যিটো বৰ্ষক 'আজাদী কা অমৃত মহোৎসৱ' হিচাপে আমি উদযাপন কৰিছোঁ। স্বাধীনতাৰ অমৃত মহোৎসৱৰ বৰ্ষটোতে আমি কৃষকৰ উপাৰ্জন দুগুণৰ লক্ষ্য লৈছিলোঁ। স্বাভাৱিকতে ই আছিল গুৰুত্বপূৰ্ণ লক্ষ্য। প্ৰকৃতাৰ্থত আমি সেই লক্ষ্যত উপনীত হ'ব পাৰিলোঁনে? বা অদূৰ ভৱিষ্যতেও পাৰিমনে?

এই সম্পৰ্কে চৰকাৰী কোনো তথ্য প্ৰকাশ পোৱা নাই। প্ৰকৃতাৰ্থত ২০১৮-১৯ৰ পাছৰ পৰা বছৰেকীয়া উপাৰ্জন সম্পৰ্কীয় কোনো জৰীপ হোৱাই নাই, ২০০৪-০৫ বৰ্ষৰ পৰা ২০১১-১২ বৰ্ষলৈকে কৃষকৰ উপাৰ্জনৰ বৃদ্ধিৰ হাৰ আছিল বৰ সন্তোষজনক, প্ৰায় ৭৫ শতাংশ; কিন্তু ইয়াৰ আগতে ১৯৯৯-২০০০ বৰ্ষৰ পৰা ২০০৪-০৫ বৰ্ষলৈ কৃষকৰ উপাৰ্জনৰ হাৰ হ্ৰাস পাইছিল বছৰী ০.৫৫ শতাংশ হাৰত। উল্লেখ্য, এইসময়তে ভাৰতত আছিল এন ডি এ চৰকাৰ। ২০২১-২২ বৰ্ষৰ বাবে কোনো নিৰ্ভৰযোগ্য তথ্য নাই, কিন্তু কৃষকৰ উপাৰ্জন যে দুগুণলৈ বৃদ্ধি হোৱা নাই, সেয়া সাধাৰণ দৃষ্টিৰেই জানিব পাৰি। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক আৰু নতুন দিল্লীৰ মানৱতাবাদী বিতৰণ কেন্দ্ৰৰ অতিথি অধ্যাপক ড° হিমাংশুৰ এক আলোচনাৰ আঁত ধৰি ক'ব পাৰি যে, কৃষকৰ উপাৰ্জন দুগুণ হোৱাৰ পৰিবৰ্তে ২০২০-২১ বৰ্ষত কৃষকৰ উপাৰ্জন পূৰ্বতকৈ ১.৫ শতাংশ কমিছেহে। একেৰাহে দুটা বছৰৰ বাবে দেশৰ বিভিন্ন ঠাইত হোৱা অস্বাভাৱিক খৰাং পৰিস্থিতিও ইয়াৰ এটা কাৰণ বুলি ড° হিমাংশোৱে মন্তব্য কৰিছে।

চীনে ১৯৭৮ চনৰ পৰা ১৯৮৪ বৰ্ষৰ ভিতৰত কৃষকৰ উপাৰ্জন দ্বিগুণ কৰিছিল, যাৰ ফলত চীনৰ দৰিদ্ৰতা ৫০ শতাংশ কমি গৈছিল। চীনৰ এই সফলতাত অংশ লৈছিল কৃষিকাৰ্যৰ যান্ত্ৰিকীকৰণে আৰু কৃষি ব্যৱস্থাৰ দৃষ্টি বিভিন্ন দিশলৈ কৰা সম্প্ৰসাৰণে। উদাহৰণ হিচাপে বাঁহৰ কথাই ক'ব পাৰি। ভাৰতে শেহতীয়াকৈ বাঁহক কাঠৰ পৰ্যায়ৰ পৰা আনি কৃষিসামগ্ৰী হিচাপে চিহ্নিত কৰাৰ বিপৰীতে চীনে ঘাঁহজাতীয় উদ্ভিদ হিচাপে প্ৰতিষ্ঠা কৰি বাঁহৰ পৰা তৈয়াৰ কৰিছে অসংখ্য উদ্যোগজাত সামগ্ৰী, যি বাঁহে খেতিয়কসকলক দিছে প্ৰচুৰ উপাৰ্জন আৰু ভৱিষ্যতৰ সম্ভাৱনা। ভাৰতত ১৪ নিযুত হেক্টৰ মাটিত বাঁহখেতি আছে, কিন্তু চীনৰ মাত্ৰ ৬ নিযুত হেক্টৰ মাটিতহে বাঁহ পোৱা যায়। তথাপি চীনৰ বাঁহ আৰু বাঁহৰ পৰা উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিছে, কিন্তু ভাৰতে এই দিশত আগবঢ়োৱা খোজ তেনেই চালুকীয়া। জ্ঞানৰ সীমাবদ্ধতা আৰু দূৰদৰ্শিতাৰ অভাৱেই ভাৰতৰ বাঁহ উৎপাদন আৰু বাঁহ উদ্যোগক পশ্চাদ্‌গামিতাত পৰ্যবসিত কৰিছে। আচলতে চীনত বাঁহ সম্পৰ্কীয় যিমান গৱেষণা আৰু দক্ষতা নিৰ্মাণৰ কাম হৈছে, ভাৰতত তেনে হোৱা নাই। চীনৰ এই সম্পৰ্কত ৰাষ্ট্ৰীয় নীতি আৰু ৰাজ্যসমূহৰ নীতিৰ একাত্মক ধাৰণাই উদ্যোগটোৰ বিকাশত সহায় কৰাৰ বিপৰীতে ভাৰতত ৰাষ্ট্ৰ, ৰাজ্য আৰু বাঁহ উৎপাদকসকলৰ মাজত সংযোগ আৰু সহযোগিতা প্ৰায় শূন্য বুলি অভিহিত কৰিব পাৰি। চীনৰ সহযোগিতাত ভিয়েটনামে বাঁহৰ পৰা কাপোৰজাতীয় সামগ্ৰী উৎপাদন কৰিছে। ভিয়েটনামত উৎপাদিত হৈছে বাঁহৰ পৰা নিৰ্মিত স্কাৰ্ফ, জেকেট, বিছনা চাদৰ আদি, যিবোৰে আন্তৰ্জাতিক বজাৰ দখল কৰিছে। ভাৰততো আছে ৰাষ্ট্ৰীয় বাঁহ আয়োগৰ দৰে অনুষ্ঠান, কিন্তু এনে আয়োগৰ কাৰ্যক্ৰমণিকা সম্পৰ্কেহে কৃষক ৰাইজে একো ভু-নাপায়। গ্ৰীষ্ম আৰু বৰ্ষাপ্ৰধান অঞ্চল হিচাপে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলে বাঁহ আৰু বেত উৎপাদন আৰু ইয়াৰ পৰা নিৰ্মিত সামগ্ৰীৰ জৰিয়তে বিশ্বৰ বজাৰ দখল কৰাৰ পূৰ্ণ সুযোগ আৰু সুবিধা আছিল, কিন্তু বাঁহ আয়োগ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বাঁহ বেতৰ খেতি কৰোতাৰ মাজত যোগসূত্ৰৰ অভাৱৰ বাবেই এই দিশত বিশেষ একো চকুত লগা আৰু অৰ্থ উপাৰ্জনকাৰী কাম হোৱা নাই। আপাত দৃষ্টিত ৰাষ্ট্ৰীয় বাঁহ আৰু বেতৰ আয়োগৰ দৰে অনুষ্ঠান বগা হাতীত পৰিণত হৈছে। কৃষি উৎপাদন হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমতো বাঁহ খেতিৰ বিকাশৰ অসীম পৰিসৰ থকা সত্ত্বেও এইদিশত আমাৰ অৱস্থান এতিয়া তেনেই পুতৌলগা। বাঁহ খেতিৰ সম্প্ৰসাৰণৰ কথা বাদেই, চাহ খেতিৰ প্ৰসাৰৰ স্বাৰ্থত বাঁহভূমি তেনেই সংকুচিত কৰি পেলোৱা হ'ল। বায়ু, মাটি প্ৰদূষণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰসংগই এতিয়া বিশ্বত বহনক্ষম বিকাশৰ প্ৰসংগ উত্তাল কৰি ৰাখিছে আৰু এই প্ৰসংগত দেখা গৈছে যে পাৰিপাৰ্শ্বিকতা ৰক্ষা আৰু সংৰক্ষণৰ দিশে বাঁহ উদ্যোগে লোৱা ভূমিকাৰ বিপৰীতে চাহ উদ্যোগৰ ভূমিকা নেতিবাচক হিচাপেহে বিবেচিত হয়। পৰিকল্পিতভাৱে মনোযোগ আৰু দক্ষতা নিৰ্মাণত গুৰুত্ব দিয়া হ'লে বাঁহ উৎপাদনে কৃষকৰ আত্মপ্ৰতিষ্ঠাৰ পথ সুগম কৰিলেহেঁতেন।যোৱা বছৰ অসমৰ কৃষিমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে গত বৰ্ষটোত ১০ শতাংশ মাটিত জৈৱিক খেতিৰ বাবে ব্যৱস্থা কৰা হ'ব। এই ঘোষণাই এটা কথা স্পষ্ট কৰিছে যে অসমত উৎপাদন হোৱা সমুদায় শস্য উৎপাদনৰ ৯০ শতাংশতকৈ অধিক শস্যত থাকে সাৰ আৰু কীটনাশকৰ অৱশিষ্ট। প্ৰতিদিনে শাক-পাচলি, আলু-দাইল, মচলা, আচাৰৰ জৰিয়তে আমি আমাৰ পাকস্থলীলৈ সুমুৱাই আছোঁ অনুমোদিত মাত্ৰাৰ অধিক পৰিমাণৰ কীটনাশক ৰাসায়নিক দ্ৰব্য। জনস্বাস্থ্যৰ দিশৰ পৰা ই হৈ পৰিছে এক ভয়াবহ সমস্যা। অন্যহাতে কৃষি ভূমি সংকোচনো কৃষি উৎপাদন হ্ৰাস হোৱাৰ অন্য এক কাৰণ।

ৰাজ্য চৰকাৰৰ অৰ্থনীতি পৰিসংখ্যা বিভাগৰ লেণ্ড ইউটিলাইজেচন ষ্টেটিষ্টিকস্ ২০২২-২৩ৰ প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, ৰাজ্যখনত ২০১৬-১৭ৰ পৰা ২০২২-২৩ৰ সময়ছোৱাত ১৪,৪১২ হেক্টৰ কৃষিভূমি হ্ৰাস পাইছে। এয়া ৰাজ্যখনৰ কৃষিৰ বিকাশৰ প্ৰবল প্ৰত্যাহ্বান। বিশদ তথ্য অনুসৰি ২০১৬-১৭ বৰ্ষত কৃষিভূমিৰ পৰিমাণ আছিল ৩১,১৪,৪০৮ হেক্টৰ। ২০১৭-১৮ বৰ্ষত হ্ৰাস পালে ৩০,৮১,৩০২ হেক্টৰলৈ। ২০১৮-১৯ত ৩০,৮৩,৭৬৫ হেক্টৰ, ২০১৯-২০ত ৩০,৭৬,৯০৯ হেক্টৰ, ২০২০-২১ত ৩০,৮২,৮২৫ হেক্টৰ, ২০২১-২২ত ৩১,০৬,৬৫৬ হেক্টৰ তথা ২০২২- ২৩ বৰ্ষত হ্ৰাস পালে ৩০,৯৯,৯৯৬ হেক্টৰলৈ। ৰাজ্যখনত কৃষিভূমি হ্ৰাস পোৱাৰ মুখ্য কাৰণ হিচাপে কৃষিভূমি অন্য শ্ৰেণীলৈ পৰিবৰ্তন, বান আৰু খহনীয়াৰ কথাই বিভাগীয় সূত্ৰই দাবী কৰিছে। তদুপৰি অন্য প্ৰাকৃতিক কাৰক যেনে বতৰৰ অস্বাভাৱিক পৰিবৰ্তন, অতিবৃষ্টি, খৰাং, অনিয়মীয়া বৰষুণ আদিয়েও কৃষি ক্ষেত্ৰলৈ আনিছে অশনি সংকেত।

অসমৰ অসমীয়া কৃষকসকলে বছৰেকত মূলতঃ এটা খেতি কৰে আৰু সেইটো হ'ল ধান খেতি। আজিকালি ধান খেতি কৰিবলৈও বহুলোকে এৰি দিছে। বহু ঠাইত কৃষি ভূমি বতানি হৈ পৰি থকাটো এতিয়া এক সহজলভ্য দৃশ্য। এটাতকৈ অধিক খেতি কৰিবলৈ আগ্ৰহীসকলৰো সমস্যা এটাই - উদণ্ডীয়া জীৱ-জন্তুৰ অত্যাচাৰ। জীৱ-জন্তু মুকলিকৈ মেলি দিয়া ব্যৱস্থাটোৱে অসমৰ কৃষি অৰ্থনীতিৰ ক্ষতি কৰাৰ উপৰিও পৰিৱেশৰো ব্যাপক ধ্বংস সাধন কৰিছে। আচলতে জীৱ-জন্তুৰ মুকলি বিচৰণ বন্ধ কৰিবলৈ এখন কঠোৰ আইনৰেই প্ৰয়োজন হৈছে। কেইবাখনো ৰাজ্যই ইতিমধ্যে এনে আইন বলবৎ কৰিছে।



কৃষকৰ আয় দুগুণ বা ততোধিক কৰাৰ এটা ভাল সুবিধা আছিল পশুধন উদ্যোগৰ জৰিয়তে, কিন্তু কেতবোৰ কাৰকে পশুপালকসকলকো বিপাঙত পেলাইছে। অসমত গো-সুৰক্ষা আইনখন জাৰি কৰাৰ লগে লগে গো-সুৰক্ষাৰ নামত গৰু-গাইৰ বিক্ৰী সীমিত হৈ পৰিল। আমাৰ চৰ-চাপৰি আৰু নৈপৰীয়া খুঁটিবোৰত থকা পালকসকলৰ ৮০-১০০টা পশুধন থাকে, যাৰ ভিতৰত থলুৱা গৰুৰেই সৰ্বাধিক। পালকজনে বছৰেকত ২০-৩০টা গৰু বেচিব পাৰিলে বছৰটোৰ বাবে তেওঁৰ ঘৰুৱা খৰচখিনি যোগাৰ হৈ যায়। গো-সুৰক্ষা আইনখনৰ পাছৰ পৰা গৰুৰ বজাৰ সীমিত হৈ পৰিছে। বৰ্ণসংকৰ গো-পালকৰ উপাৰ্জনৰ এটা উৎস আছিল মতা পোৱালিবোৰ বিক্ৰী কৰি পোৱা নগদ ধন, কিন্তু সাম্প্ৰতিক সময়ত মতা পোৱালিৰ বজাৰ স্তিমিত হৈ পৰিল। শেহতীয়াকৈ হোটেল ৰেষ্টুৰেণ্টত গো-মাংস নিষিদ্ধকৰণেও গোপালকসকলৰেই পৰোক্ষভাৱে আৰ্থিক ক্ষতি কৰিব। বিক্ৰী কৰিব নোৱৰা মতা পোৱালিবোৰ পুহি থকা মানে খৰচৰ মাত্ৰা বৃদ্ধি হৈ থকা। খৰচ বাঢ়িলে কৃষকৰ আয় দুগুণ হ'ব কেনেকৈ?

গো-সুৰক্ষা আইন আৰু হোটেল ৰেষ্টুৰেণ্টত গো-মাংস নিষিদ্ধকৰণে অৱশ্যে পৰোক্ষভাৱে সহায় কৰিছে ম'হ পালকসকলক। ম'হৰ বজাৰ মূল্য এতিয়া দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু পাব। এবছৰীয়া একোটা ম'হ পোৱালিৰ এতিয়া বজাৰ দৰ ত্ৰিছ-চল্লিছ হাজাৰ টকা, একোজনী থলুৱা পূৰঠ মাইকী ম'হ বা একোটা গোনা ম'হৰ বৰ্তমান বজাৰ দৰ ডেৰ-দুই লাখ টকা। আচলতে আমাৰ চুবুৰীয়া নাগালেণ্ড আৰু মেঘালয় আছিল অসমৰ গো-ধনৰ উৎকৃষ্ট বজাৰ। গো-ধন বিক্ৰী আৰু সৰবৰাহ বন্ধ হোৱাৰ পাছত তাৰ ঠাই লৈছে ম'হৰ উৎপাদনে। ম'হ পালন বৰ্তমান লাভজনক হৈ উঠিছে যদিও ম'হৰ সংখ্যা দ্ৰুতগতিত কমি আহিছে। ম'হ পালন এক কষ্টকৰ, প্ৰত্যাহ্বানমূলক কৰ্ম। বৰ্তমানৰ পালকসকল ম'হ পালনৰ পৰা লাহে লাহে আঁতৰি আহিব খুজিছে। তদুপৰি অসমৰ মাত্ৰ কেইখনমান জিলাতহে ম'হ পালনৰ পৰম্পৰা বৰ্তি আছে। সম্ভৱতঃ যোৰহাট জিলাতে সৰ্বাধিক সংখ্যক ম'হ আছে। অৱশ্যে, ম'হ পালন উদ্যোগটোৰ সম্প্ৰসাৰণ ঘটাবলৈ অথবা ম'হ পালকক উৎসাহিত কৰিবলৈ পশুপালন আৰু পশু চিকিৎসা বিভাগ তথা চৰকাৰৰ নাই কোনো নিৰ্দিষ্ট আঁচনি। ম'হৰ ক্ষেত্ৰতো কৃত্ৰিম প্ৰজনন কৰিব পাৰি বুলি ম'হ পালকসকলৰ কথা বাদেই, পশু চিকিৎসা বিভাগৰ বহু কৰ্মীও অৱগত নহয়।

গো-পালনৰ ক্ষেত্ৰত দেখা দিয়া আন এটা সমস্যা হ'ল গো-খাদ্যৰ মূল্যবৃদ্ধি। কৃষিকৰ্মত কোনো পৰিবৰ্তন নোহোৱা বাবে গো-খাদ্যৰ উপাদান যেনে চাপৰ, মাকৈ, ঘেঁহু, খলিহৈ, মাহজাতীয় খাদ্য আদিৰ বাবে আমি আন ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আনহাতে, খাদ্যৰ মূল্যবৃদ্ধি অনুপাতে গাখীৰৰ মূল্যবৃদ্ধি নঘটে। সৰহভাগ ক্ষেত্ৰত গো- পালকসকলে গাখীৰৰ বাবে পাব লগা প্ৰকৃত মূল্য নাপায়। মধ্যভোগীয়েহে গাখীৰ বিক্ৰীৰ জৰিয়তে প্ৰকৃত লাভৰ অংশটো হস্তগত কৰে।

শেহতীয়াকৈ ৰাজ্যত গাহৰি পালন উদ্যোগৰ সম্প্ৰসাৰণ ঘটিছে। বিশেষকৈ ক'ভিডৰ পাছৰ পৰা হাঁহ-কুকুৰা পালনৰ লগতে গাহৰি পালনেও জনপ্ৰিয়তা লাভ কৰিছে। গাহৰি পালন উদ্যোগৰ ক্ষেত্ৰতো দুটা মুখ্য সমস্যাই দেখা দিছে। প্ৰথম সমস্যাটো হৈছে বাহিৰৰ পৰা অবাধ গতিত অহা গাহৰি, যাৰ ফলত থলুৱা উৎপাদকৰ গাহৰি বিক্ৰীত প্ৰতিবন্ধকতা আহিছে। প্ৰতি কিলোগ্ৰাম গাহৰি মাংসৰ মূল্য চাৰিশ টকাপৰ্যন্ত হোৱাৰ বিপৰীতে বাহিৰৰ পৰা শ শ গাহৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ অহাৰ পাছত থলুৱা গাহৰি মাংসৰ মূল্য ২৫০ টকা পৰ্যন্ত হাস পোৱা পৰিলক্ষিত হয়। দ্বিতীয় সমস্যাটো হৈছে, গাহৰিৰ ক্ষেত্ৰত দেখা দিয়া আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ। অসমতো যোৱা বছৰকেইটাত কেইবাখনো জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ প্ৰাদুৰ্ভাৱে বহু গাহৰি পালকৰ পাম উছন কৰি দিছে। গাহৰি পাঠকসকলৰ ব্যাপক সংকোচন আক লোকচানে ৰাজ্যৰ অৰ্থনীতিত নেতিবাচক প্ৰভাৱ পেলাব।

অৱশ্যে, ছাগলী, হাঁহ-কুকুৰা আদি পালনৰ দিশত ৰাজ্যত কিছু যোগাত্মক তৎপৰতা অব্যাহত আছে। ব্ৰইলাৰ পালকসকলেও মোটামুটি উচিত পৰিমাণৰ উৎপাদনী মূল্য পাই আছে। একে সময়তে গো-পালক আৰু গাহৰি পালকক উৎসাহিত কৰিবলৈ কিছু চৰকাৰী হস্তক্ষেপ অতি প্ৰয়োজন। দানা বা সহযোজক ঔষধৰ ক্ষেত্ৰত কিছু পৰিমাণে ৰাজসাহায্য, গাহৰিৰ ক্ষেত্ৰত ন্যূনতম সমৰ্থন মূল্য প্ৰদান আদি এনে হস্তক্ষেপৰ অংশ হ'ব পাৰে।

# যুৱ প্ৰজন্মক প্ৰয়োজন কলমৰ, অস্ত্ৰৰ নহয়



আয়শা ছিদ্দিকা

আমি অসমীয়া আবেগিক। আৰু যেতিয়া আবেগে বুৰাই পেলাই বিবেকে কাম কৰিবলৈ পাহৰি যায়। সেইকাৰণে আবেগিক মানুহক আন সুবিধাবাদী মানুহে সহজতে নিজৰ মায়া চক্ৰৰ ঘেৰত পেলাই কাৰ্য সিদ্ধি কৰিব পাৰে।

অসমীয়া মানুহ আবেগিক আৰু কোমল অন্তৰ প্ৰকৃতিৰ হয় বাবেই দুষ্ট চক্ৰই নিজৰ জাল বুনি মূৰৰ ওপৰত কঁঠাল ভাঙি খোৱাৰ সাহস কৰিব পাৰে। কিছুমান দল হওক বা সংগঠন নিজৰ কাৰ্য্য সফল কৰিবলৈ মূল অস্ত্ৰ হিছাপে মানুহৰ আবেগক ব্যৱহাৰ কৰা দেখা গৈ আছে। মানুহ এজন যিমানেই শক্তিশালী হওক যিমানেই প্ৰভাৱশালী হওক এটা ঠাইত দুৰ্বল সেইটো হল জাতি আৰু ধৰ্মৰ বিষয়। সকলো বিষয়ত চাতুৰালিৰে কাম কৰি সফল হোৱাৰ উদাহৰণ বহুত থাকিলেও জাতি ধৰ্মৰ ক্ষেত্ৰত যে বিবেক বন্ধকত থয় তাৰো উদাহৰণ শত শত পোৱা যায়।

কিছু দুষ্ট চক্ৰই নিজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু নিজক প্ৰভাৱশালী ৰূপত গঢ়িবলৈ এই সুযোগ কামত লগাই। প্ৰথমে বিদেশী বুলি উচ্ছেদ হ'ল, ভাষাৰ নিচিনা এটা আন্ত: বিষয় লৈ ভিন্ন ভাষী লোকৰ মাজৰ একতা ছিন্ন, জাতি, ধৰ্ম, সম্প্ৰদায়ৰ নামত এক মহা তাণ্ডৱ আৰম্ভ হ'ল, যি তাণ্ডৱে গোটেই ৰাজ্য তচনচ কৰিছে। আজি সেই ফিৰিঙতি দাৱানল ৰূপ ধাৰণ কৰি জ্বলি আছে ধাওধাও কৈ।

আৰু যেতিয়া বন্দুকৰ নিচিনা মৰণাস্ত্ৰ এটা লগত ৰখাৰ অনুমতি দিয়া হয় তেতিয়া সমাজত আমন(শান্তি)ৰ চিহ্নও বাকী নাথাকে।

আমি যুৱ সমাজে কিতাপ আৰু কলম বিচাৰো। কিহৰ শংকা যুৱ সমাজ শিক্ষিত হ'ব বুলি। এনেই যিবোৰ পাঠ্যক্ৰমত শিকোৱা হয় বাস্তৱ জীৱনত, কৰ্ম ক্ষেত্ৰত কামত নাহে প্ৰতিভা অন্ধ দক্ষ শ্ৰমিকৰ ন্যায়। দক্ষতা আছে কিন্তু সঠিক ব্যৱহাৰ হয় নে অপব্যৱহাৰৰ হয় ধৰিব নোৱাৰি। যুৱ সমাজ অন্ধকাৰ আঁতৰাই ৰেঙনিৰ আভাস টানি অন্ধকাৰত ডুব যোৱা সমাজ পোহৰাই তোলাৰ সপোন ৰঙে বুলি সপোন অংকুৰিত হোৱাতেই আত্মবিশ্বাস ভাঙি ঘূৰি কৰি দিয়াটো কম আছিল জানো যে এতিয়া অস্ত্ৰৰ ব্যৱস্থা কৰি আছে।

কথা হ'ল খিলঞ্জীয়া সকলৰ সুৰক্ষাৰ বাবে এই ব্যৱস্থা কৰিছে বুলি দাবী কৰে। কিন্তু কথা হ'ল খিলঞ্জীয়া যে অসুৰক্ষিত সেইটো সংবাদ মাধ্যম, কিছুমান ৰাজনৈতিক দল, সংগঠনৰ নেতাৰ ভাষণ, সামাজিক মাধ্যম নাথাকিলে গম নাপালোঁহেতেন চাগে। কিয়নো আমি বিদ্যালয়, মহাবিদ্যালয়ৰ, বজাৰ-সমাৰ আদিত বহু জাতি, জনগোষ্ঠী, বহু ভাষিক লোকৰ সান্নিধ্য লাভ কৰো কোনেও কেতিয়াও অসুৰক্ষিত অনুভৱ কৰা আমি দেখা নাই শুনাও নাই।

এনেকুৱা এটা বিষয়ক মূল আধাৰ হিচাপে লৈ ভৱিষ্যত প্ৰজন্মক বিপথে পৰিচালিত কৰাৰ পৰিকল্পনা হৈ আছে আৰু অন্ধকাৰ জয়াল বাটৰ কাষত জোনাকী পৰুৱাৰ পোহৰ দেখি আনন্দত মত্ত হৈ নাচি আছে। সিহঁতে নাজানে চাগে জোনাকী পৰুৱা তাতেই থাকে য'ৰ পিছত জয়াল থাকে। বিপথে খোজ দি সেই ন্যূনতম বোধ শক্তিও হেৰুৱাইছে।

যুৱ প্ৰজন্ম যদি পোহৰৰ বাট হেৰুৱাই ঘোৰ অন্ধকাৰৰ বাটত খোজ দিয়ে সমাজ এখন, দেশ এখন উন্নত হ'ব কেনেকৈ....? কিয়নো যুৱ সমাজ দেশৰ ভৱিষ্যত। সেইকাৰণে সমাজৰ হকে, দেশৰ হকে যুৱ সমাজ সঠিক পথত চলাটো অত্যাৱশ্যক। আৰু তাৰ বাবে প্ৰয়োজন কিতাপ, জ্ঞান, কলম আৰু সঠিক দিশ-নিৰ্দেশনাৰ। অস্ত্ৰৰে কেতিয়াও শান্তি কায়েম হয়, সততাৰ গঢ়ানিষ্ঠাবান বীৰ পুৰুষ নহয়, এয়া একমাত্ৰ কলমেৰেই সম্ভৱ। সেইকাৰণে কলমক শ্ৰেষ্ঠ অস্ত্ৰ বুলিও কোৱা হয়।

মৰণাস্ত্ৰৰে মাথোঁ হিংসা, বিবাদ, হত্যাৰে পৰিৱেশত অশান্তিৰ প্ৰলয় বাজিব। শান্তিৰ অমৰাপুৰী অশান্তিৰ দাৱানলত ভস্ম হ'ব।

# সাম্প্ৰতিক সময়ৰ দুৰ্গা পূজা আৰু মোৰ অনুভৱ

ব্ৰজেন জীৱন দাস

সমাজ সদায় স্থিৰ হৈ নাথাকে । প্ৰবহমান সময়ৰ লগে লগে সলনি হয় মানুহৰ মানসিকতা। মানুহৰ মানসিকতা সলনি হোৱাৰ বাবেই সমাজৰ নীতি-নিয়মৰো সলনি হয়। বিজ্ঞজনে সেয়েহে ক'ব খোজে- 'সলনিয়ে একমাত্ৰ স্থিৰ সিদ্ধান্ত বুলি সমাজে মানি ল'বলৈ বাধ্য।' সেয়েহে আজিৰ দুৰ্গা পূজা আৰু তাহানিৰ দুৰ্গা পূজাৰ লগত কিছু তাৰতম্য দেখা পোৱা যায় ।এই সত্যটো প্ৰকট হৈ পৰে দুৰ্গা পূজা উদযাপনৰ সময়ত । আমি যদি ভালকৈ পৰ্যৱেশন কৰোঁ দেখা পাওঁ যে দেৱীৰ ভক্তই প্ৰথমে দেৱীক বোধন কৰিছিল স্বাৰ্থ সিদ্ধিৰ বাবে ।লাহে লাহে ভক্তৰ উদ্দেশ্য সলনি হ'ল। সেই বুলি ভক্তবৃন্দই দেৱীক আৰাধনা কৰি অস্ত্ৰ নিবিচাৰে। বিচাৰে -ৰূপং দেহি। অৰ্থাত অপৰূপ ৰূপৰ প্ৰাৰ্থনা। দেৱীয়েও হয়তো ৰূপ দানৰ কথা ভাবিলে। মানৱ আৰু প্ৰকৃতি দেৱীৰ ৰূপত মত্ত হ'ল । এদিন ৰূপেও আমুৱালে ভক্তগণক, তেতিয়া দেৱীক বিচাৰিলে "ধনং দেহী"। ধন সোণ নহ'লে প্ৰতিপত্তি ক'ত ? পিচে ধন আৰ্জিবলৈ শিক্ষাৰ প্ৰয়োজন। সেয়েহে "বিদ্যাং দেহী" বুলিও কাকুতি কৰিলে। ক্ৰমান্বয়ে "পুত্ৰং দেহী", "যশোং দেহী" বুলিও দেৱীক আৰাধনা কৰিবলৈ নেৰিলে। দেৱী ভক্তৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ তাকো দিলে। কিন্তু মানুহৰ খোজাৰ জানো অন্ত আছে? পুত্ৰ হ'ল, বিদ্যা হ'ল, ৰূপ হ'ল,যশো হ'ল। তথাপি মানুহৰ খোজাৰ অন্ত নহ'ল। এতিয়া কি খুজিব ?মানুহৰ মনত অশান্তিৰ জন্ম হ'ল। এইবাৰহে মানুহে প্ৰকৃত বস্তু বিচাৰিলে। মানসিক শান্তি। শান্তি ৰূপেৰে মহামায়া প্ৰকট হৈ ভক্তসকলক ক'লে- "শান্তি মইতো দিব নোৱাৰিম। মানুহে নিজেই শান্তি বিচাৰি ল'ব লাগিব। সেইয়া সৃষ্টি কৰিব লাগিব নিজেই। তাৰ বাবেই দুৰ্গা দেৱীয়ে মানুহক দিলে জ্ঞান। এই জ্ঞান প্ৰয়োগ কৰিয়েই ভক্তই শান্তিৰ সন্ধান কৰিব লাগিল ।যিসকলে ব্যাকুল হৈ জ্ঞান অন্বেষণ কৰিবলৈ আৰম্ভ কৰিলে তেওঁলোকে যথোচিত শান্তি লাভ কৰিল। আৰু মানুহ লাহে লাহে শান্তি বিচাৰি বিৱৰ্তনৰ পথত ধাৱমান হ'ল।

লাহে লাহে দুৰ্গা পূজাৰ বিধিও সলনি হ'ল। পৰাধীন ভাৰতত দুৰ্গা পূজাই মোট সলোৱাৰ উপক্ৰম হ'ল। দেৱী আৰাধনা গৌণ হৈ পৰিল। মোক্ষম উদ্দেশ্য হ'ল পশ্চিমীয়া সংস্কৃতিক আকোৱালি লোৱা। 'শক্তিৰূপেন'ৰ পূজাৰ ঠাইত আহি বহিল 'ৰূপ'ৰ পূজা ।আৰম্ভ হ'ল পূজাৰ স্থলীত বাঈজীৰ নাচ। বেনাৰস আৰু লক্ষ্ণৌৰ পৰা অহা বাঈজীয়ে পূজাৰ সময়ত মণ্ডপ একেবাৰে কঁপাই তুলিলে। লাহে- লাহে পৰিয়াল ভিত্তিক দুৰ্গা পূজাৰ ঠাইত চুবুৰী ভিত্তিক পূজা আৰম্ভ হ'ল। পৰিয়াল ভিত্তিক পূজা সৰু হৈ আহিল বাৰোৱাৰী পূজা ডাঙৰ হৈ পৰিল। জনগণৰ মনোৰঞ্জনৰ বাবে আৰম্ভ হ'ল যাত্ৰাভিনয়। বাৰোৱাৰী পূজাই হৈ পাৰল দুৰ্গা পূজাৰ প্ৰধান আকৰ্ষণ। জমিদাৰৰ ঠাই ল'লে নেতা অৰ্থাৎ ৰাজনীতিৰ মানুহে। বিভিন্ন সংগঠন ঠন ধৰি উঠিল । ঘৰে-ঘৰে চুবুৰীয়ে চুবুৰীয়ে চান্দা তোলাৰ নিয়ম আৰম্ভ হ'ল। কুৰি শতিকাৰ পঞ্চাশ দশকত চান্দাৰ 'অনুৰোধ' সত্তৰ দশকত আহি দাবীলৈ ৰূপান্তৰিত হ'ল। এই চান্দা পাৰ্টি আশী দশকলৈকে চলিল। নব্বৈ দশকত চান্দা পাৰ্টিৰ দাবী কমি বিজ্ঞাপন যোগে ধন সংগ্ৰহ কৰাৰ নতুন আঁচনি হ'ল। কুৰি শতিকাৰ শেষৰ ফালে যাত্ৰাভিনয় নিঃশেষ হ'ল। আৰম্ভ হ'ল 'স্পনচৰ'ৰ যুগ। এতিয়া একবিংশ শতিকাত ডাঙৰ ডাঙৰ বাৰোৱাৰী পূজাৰ ব্যয় বহন কৰে ব্যৱসায়ী সংস্থাবোৰে। তেওঁলোকৰ দ্ৰব্য সম্ভাৰৰ বিজ্ঞাপনে পূজা মণ্ডপক জগাই তোলে। বিজ্ঞাপনৰ কোবত হেৰাবলৈ ধৰা প্ৰতিমাক উদ্ধাৰ কৰিবলৈ "মেডিয়াই" পুৰস্কাৰৰ ব্যৱস্থা কৰিলে।

একৈশ শতিকাত মূৰ্ত্তিৰ উপৰিও পৰিৱেশৰ ওপৰত, মণ্ডপ, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু নিত্য নতুন থীমৰ ওপৰত গুৰুত্ব বাঢ়িবলৈ ধৰাত এদল বিশিষ্ট শিল্পীৰ জন্ম হ'ল। সমাজৰ বিশিষ্ট সংস্থা, বিশিষ্ট শিল্পী আৰু পৰিশ্ৰমী জনতা একেলগে মিলিত হ'বলৈ শিকিলে। ভোগতকৈ বেছি গুৰুত্ব পালে পৰিৱেশে। গুৰুত্ব পালে শিল্পকৰ্ম, সহযোগিতা আৰু কৰ্মসংস্থানে। হেৰাই যোৱা লোক সংস্কৃতিসমূহ ঠন ধৰি আহিল। যাত্ৰা হেৰাই গ'লেও আবৃত্তি, গান আৰু লোকনৃত্যই মঞ্চত স্থান পালে।

এদল সংস্কৃতি শিল্পীৰ লগত আলোক শিল্পী,মৃৎ শিল্পী আৰু মণ্ডপ শিল্পীৰ সৃষ্টি হ'ল। এসময়ত দুৰ্গা পূজাত মণ্ডপৰ খৰচতকৈ খোৱাৰ ভোগৰ আৰু পূজাৰীৰ খৰচ বেছি আছিল। এতিয়া মণ্ডপ,পৰিৱেশ,মূৰ্ত্তি আৰু আলোকৰ খেলত সিংহভাগ খৰচ হ'ল। দুৰ্গা পূজাই আনি দিলে এদল পেশাদাৰী শিল্পী। পূজা ব্যক্তিগত আৰাধনাৰ পৰা যেন পৰিৱৰ্তন হ'ল। পূজা হৈ পৰিল সৃষ্টিকৰ্মৰ শিল্পীসকলৰ যুদ্ধক্ষেত্ৰ ।কোনে কিমান দৰ্শকক আকৰ্ষিত কৰিব পাৰে তাৰ প্ৰতিযোগিতা চলিল। সৃষ্টিকৰ্মৰ যোগেৰে এসময়ৰ সৰু সৰু পূজাবোৰ এতিয়া বিয়াগোম আকৰ্ষণলৈ পৰিৱৰ্তিত হ'ল। সেইদৰে সম্পদ আহৰণৰ বাবে স্পনচৰ সকলৰ দৌৰাদৌৰি লাগিল ।গতিকে বৰ্তমান দুৰ্গা পূজাত কৃতকাৰ্যতাই মূলমন্ত্ৰ হৈ পৰিল। দেৱীক আৰাধনা কৰাটো গৌণ হৈ সামাজিক বিনোদন মুখ্য হৈ পৰিল। সম্প্ৰতি পূজাত আধুনিকতাৰ সংমিশ্ৰণে গ্ৰাস কৰিবলৈ ধৰিলে। ধনৰ অবাধ ব্যয় আৰু জাকজমকতা ক্ৰমাৎ বৃদ্ধি পালে।

আধুনিকতাৰ শীৰ্ষবিন্দুত উপনিত হ'লেও কিন্তু মানুহ সম্প্ৰতি অনিশ্চয়তা আৰু অশান্তিৰ পৰা মুক্ত হ'ব নোৱাৰাটো চৰম দুৰ্ভাগ্যৰ কথা। ভোগবাদে যিমানে মানুহক গ্ৰাস কৰি আনিছে, সিমানে অৱক্ষয় ঘটিছে মানৱতাৰ। আনকি বিশ্বৰ ধৰণীস্বৰূপ মাতৃ জাতিও এই কৰাল গ্ৰাসৰ পৰা মুক্ত হ'ব পৰা নাই।

আজি বিশ্বৰ সমগ্ৰ মানৱ জাতি আত্মবিশ্লেষণৰ কাঠগৰাত থিয় হোৱাৰ সময় উপক্ৰম হৈছে। আজিৰ পৰা কেইটামান বছৰৰ আগতে অতিমাৰী কৰ'নাই সমগ্ৰ বিশ্বত সন্ত্ৰাসৰ সৃষ্টি কৰিলে। মানুহে উপলব্ধি কৰিলে ঈশ্বৰৰ মহাত্ম্য কথা। সংহাৰ ৰূপিনী, দুৰ্গতি নাশিনী দুৰ্গাই প্ৰত্যেকজন মানুহৰ মনত সাহস আৰু ত্যাগৰ বীজ যেন ৰোপণ কৰিলে। সমাজৰ পৰা অপশক্তি স্বৰূপ অসুৰৰ অৱসান ঘটাবলৈ জনগণৰ ঐক্যবদ্ধতাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰালে। এইটো সত্য যে জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে উপলব্ধি কৰিবলৈ সক্ষম হ'ল যে ভিন্নতাৰ নামত থানথান-বানবান হৈ থকা জনগণে কোনোপধ্যে অসুৰ নাশিব নোৱাৰে, অসুৰেহে তেওঁলোকক নানা ছল-চাতুৰীৰে চেপি-খুন্দি নিঃশেষ কৰিব পাৰে।

আমাৰ এটাই অনুৰোধ এইযে জনগণে বিবেকেৰে উপলব্ধি কৰা উচিত যে জাতি-বৰ্ণ -ধৰ্ম- সম্প্ৰদায় ভেদে ঈশ্বৰ সৃষ্ট নহয়। সেইয়া কেৱল মানৱৰ সৃষ্ট ।ঐক্যবদ্ধ জনগণক অসুৰে একো ক্ষতি কৰিব নোৱাৰে ।সমাজৰ পৰা সুতে মূলে উচ্ছন্ন হ'ব লাগিব মানুহৰ পশুত্বৰ প্ৰবৃত্তি। আৰম্ভ হ'ব লাগিব গৌৰৱময় জয়যাত্ৰা। সময়ক কেতিয়াও ধৰি বান্ধি ৰাখিব নোৱাৰি । সময়ে সমাজক সলনি কৰিব এইটো ধ্ৰুৱপ সত্য ।সমাজ চিৰ পৰিৱৰ্তনশীল, পুৰণিৰ পৰা নতুনলৈ আৰু নতুনৰ পৰা ক্ৰমে নতুনৰ অভিমুখে গতি কৰাই সমাজৰ বৈশিষ্ট্য। নদীয়েও ভৰ বাৰিষা গতি সলনি কৰে,পাৰ ভাঙে ।কিন্তু খৰালি আহিলে সি আগৰ সুঁতিলৈ ঘূৰি আহে। সেইদৰে পৰিবৰ্তন আমাক লাগিব। কিন্তু পৰিবৰ্তনৰ নামত মুল শিপা দাল উভালি পেলোৱা উচিত নহয়। সেইদৰে আধুনিকতাৰ ধামখুমিয়াত দুৰ্গা পূজাৰ মাহাত্ম্য পাহৰি নতুনত্বক আদৰি লোৱাতো কিমান সমীচীন সেইটো উপলব্ধি কৰিবলৈ আমি সদা প্ৰস্তুত থকাতো অতিব প্ৰয়োজন।

# গেৰুৱাত ১২ ছেপ্টেম্বৰৰ পৰা ছাত্ৰ সন্থাৰ উদ্যোগত দুদিনীয়াকৈ ভাওনা সমাৰোহ

**অসম বাৰ্তা, ভূৰাগাঁও, ১২ ছেপ্তেম্বৰ ঃ** মৰিগাঁও জিলাৰ গেৰুৱাত সদৌ অসম ছাত্ৰ সন্থাৰ গেৰুৱা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু গেৰুৱাবাসী ৰাইজৰ সহযোগত অহা ১২ আৰু ১৩ ছেপ্টেম্বৰত দুদিনীয়াকৈ ভাওনা সমাৰোহ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ভাওনা সমাৰোহৰ কাৰ্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰৰ পুৱা ৯-৩০ বজাত দ্বাৰ উন্মোচন কৰিব গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। ইয়াৰ পাছতে ১০ বজাত পতাকা উত্তোলন কৰিব ক্ৰমে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভানেত্ৰী ৰীতিষা খাটনিয়াৰ আৰু ভাওনা সমাৰোহৰ পতাকা অভ্যৰ্থনা সমিতিৰ সভাপতি গন্ধৰ্ব কোঁৱৰে। ১০-৫০ ছহিদ তৰ্পণ কৰিব ক্ৰমে গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নেকিবুৰ ৰহমান আৰু অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক অংকুৰ ডেকাই। ইয়াৰ পাছতে অস্থায়ী মণিকূট স্থাপন, ভোজনালয়ৰ দ্বাৰ উন্মোচন, নাম প্ৰসঙ্গ, সন্ধিয়া বন্তি প্ৰজ্বলন, খোল প্ৰসঙ্গ আৰু ইয়াৰ পাছতে মঞ্চস্থ হ'ব নাট "মৎস্য অৱতাৰ"। জিলাখনৰ বাঘজাপ জগতগুৰু নাট্য সমাজে পৰিবেশন কৰা ভাওনাখন উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। ইফালে ভাওনা সমাৰোহৰ উপলক্ষে প্ৰকাশ কৰি উলিওৱা মুখপত্ৰখন এই অনুষ্ঠানতে আনুষ্ঠানিকভাৱে উন্মোচন কৰিব জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে। অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধী, জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী আৰু সাধাৰণ সম্পাদক শিৱ দাসকে ধৰি ছাত্ৰ সংগঠনটোৰ বহু কেইগৰাকী বিষয়ববীয়া আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব। আনহাতে অন্তিম দিনা তথা ১৩ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত নাম প্ৰসঙ্গৰ পাছতে দুপৰীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু আমন্ত্ৰিত শিল্পী সকলৰ দ্বাৰা এটি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। এই অনুষ্ঠানটো উদ্বোধন কৰিব ভূৰাগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱাই। ইফালে সন্ধিয়া বন্তিপ্ৰজ্বলন আৰু খোল প্ৰসঙ্গৰ পাছতে মঞ্চস্থ হ'ব দুখনকৈ নাট। প্ৰথমে সন্ধিয়া ৬-৩০ বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গেৰুৱা আঞ্চলিকে নাট পৰিৱেশন কৰিব "" শ্ৰীৰাম বিজয়"। এই নাটখন উদ্বোধন কৰিব মৰিগাঁও জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক সমুজ্জল শইকীয়া, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা আৰু আহ্বায়ক অৱন্তি বৰা। ইয়াৰ পাছতে অন্তিমখন ভাওনা "কুমৰ হৰণ" পৰিৱেশন কৰিব লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ চক্ৰপাণি মহিলা নাট্য গোষ্ঠীয়ে। এই নাটখন উদ্বোধন কৰিব মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈয়ে। এই কাৰ্যসূচীত বিশেষ আমন্ত্ৰিত অতিথিৰূপে ডিমা হাছাও হাফলঙৰ সহকাৰী আয়ুক্ত শুকৰাম চৌহান, বিশিষ্ট অতিথিৰূপে অসম সেনাৰ আহ্বায়ক হিমাংশু মহন্ত, অনুপম ভাগৱতী আৰু ভূৰাগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সূৰুয তেৰণ উপস্থিত থাকিব। উল্লেখ্য যে অঞ্চলটোত এইবেলি পোন প্ৰথম বাৰৰ বাবে গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হৈছে এই ভাওনা সমাৰোহ।

উপস্থিত মন্ত্ৰী পীযুষ হাজৰিকাৰ ব্যক্তিগত সচিব

# তিৱা স্বায়ত্ত্ব পৰিষদ, মৰিগাঁও (অসম) ৭ নং গড়মাৰী সমষ্টিত "ৰাইজৰ পৰিষদ, ৰাইজৰ বাবে" শীৰ্ষক সাধাৰণ সভা আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১২ ছেপ্তেম্বৰ ঃ** বৃহস্পতিবাৰে আবেলি দুই বজাত মৰিগাঁও জিলা জাগিৰোড সমষ্টি অন্তৰ্গত গড়মাৰি গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত তিৱা স্বায়ত্ত পৰিষদ অসমৰ এটি অন্যতম সমষ্টি ৭ নং গড়মাৰি সমষ্টিত তিৱা স্বায়ত্ত পৰিষদৰ উদ্যোগত "ৰাইজৰ পৰিষদ ৰাইজৰ বাবে" শীৰ্ষক এক সাধাৰণ সভা অনুষ্ঠিত হয়। তিৱা স্বায়ত্ত পৰিষদ অসমৰ উপাধ্যক্ষ অংকুৰ ডেউৰী সভাপতিত্বে অনুষ্ঠিত হোৱা এই সভা আদৰণী ভাষণ প্ৰদান কৰে ৭ নং গড়মাৰি সমষ্টি তিৱা স্বায়ত্ত পৰিষদৰ সদস্যা ৰুণা মনি বড়ো দাসে। সভাৰ আৰম্ভণিতে তিৱা স্বায়ত্ত পৰিষদ অসমৰ ৭ নং গড়মাৰি সমষ্টিত বিভিন্ন ক্ষেত্ৰত সমষ্টিটোত কি কি উন্নয়ন হৈ আছে সেই সমূহ এক ভিডিয় আকাৰত ৰাইজৰ আগত প্ৰদৰ্শন কৰাই। এই অনুষ্ঠানত উপস্থিত থাকে মন্ত্ৰী পিযুষ হাজৰিকাৰ ব্যক্তিগত প্ৰধান সচিব অপুৰ্ব ডেকা, পৰিষদৰ উপাধ্যক্ষ অংকুৰ ডেউৰী, কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈ, মিহিৰাম বৰদলৈ, বিনিতা দৈমাৰী, তিৱা স্বায়ত্ত পৰিষদ অসমৰ চৰকাৰী মনোনীত সদস্য অজিত ডেকা সহ বহু সংখ্যক লোকৰ। সভাত উপস্থিত থকা বক্তাসকলে সভাত তিৱা স্বায়ত্ত পৰিষদৰ বিগত চাৰে-চাৰিটা বৰ্ষত কৰি অহা উন্নয়নমূলক কাম সমূহৰ বিষয়ে ৰাইজক অবগত কৰা লগতে আগন্তুক দিনত লব লগীয়া বিভিন্ন উন্নয়ন মুলক পদক্ষেপ, স্থানীয় জনজীৱনৰ সমস্যা সমাধান আৰু আগন্তুক দিনত গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সভাতে আগন্তুক দিনত ভাৰতীয় জনতা পাৰ্টীৰ সংগঠনৰ ভেটি কেনেধৰণে শক্তিশালী কৰিব তাৰো পৰিকল্পনা কৰে। এই সভাত উপস্থিত থাকি বিশিষ্ট ব্যক্তি তথা আমন্ত্ৰিত অতিথি সকলে তিৱা স্বায়ত্ত পৰিষদ অসমৰ ৭ নং গড়মাৰি সমষ্টি সদস্যা ৰুণা মনি বড়ো দাসে যেনেধৰণে নিয়াৰবিকৈ উন্নয়ন মূলক কাম কৰিছে তাক সকলোৱে প্ৰশংসিত কৰে।

# পাঠ্যক্ৰমৰ আধাৰত বিহু সম্পৰ্কীয় আলোচনা বিষয়ক অনুষ্ঠানৰ সমাপ্তি

**অসম বাৰ্তা, ডবকা, ১২ ছেপ্টেম্বৰ ঃ** হোজাই জিলা সাহিত্য সভাৰ অন্তৰ্গত এটি অগ্ৰণী স্বৰ্ণ শাখা যমুনাপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰতিভা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সহযোগত এখনি আলোচনা চক্ৰ হৈ যায়। অসম সাহিত্য সভাৰ আৰম্ভণি গীতেৰে শুভাৰম্ভ কৰা কালিৰ এই অনুষ্ঠানত "পাঠ্যক্ৰমৰ আধাৰত বিহু সম্পৰ্কীয় আলোচনা" শীৰ্ষক বিষয়ত অনুষ্ঠিত আলোচনা চক্ৰৰ সঞ্চালনা কৰে হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্মকান্ত বৰা, বিশিষ্ট অতিথি হিচাপে হোজাই জিলা সাহিত্য সভা সম্পাদক অচুৎ ঠাকুৰীয়া উপস্থিত থাকি নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে সমল ব্যক্তি হিচাপে হোজাই মৰিয়ম আজমল কলেজ সহযোগী অধ্যাপক জ্যোতি হাজৰিকা উপস্থিত থাকি নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তব্য দি বিহু গীত-নৃত্যৰ প্ৰশিক্ষণ দি একপ্ৰকাৰ অনুষ্ঠানটি জীপাল কৰি তোলে। উল্লেখ্য যে যমুনাপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি তথা জিলা সভাৰ সম্পাদক ছাদিকুজ জামানে আঁত ধৰা এই অনুষ্টানত পদুমণি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মিচবাহ উদ্দিন, জিলা সভাৰ সহকাৰী সম্পাদক প্ৰতাপ বৰুৱা, শাখাৰ সম্পাদক আবু ছুফিয়ান, প্ৰতিভা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নাজিম উদ্দিন, ট্ৰাষ্টী জাইদুল ইছলামকে ধৰি ভালেমান অতিথি উপস্থিত থাকে। শেষত পদুমণি জাতীয় বিদ্যালয়, প্ৰতিভা চিনিয়ৰ চেকেণ্ডাৰী স্কুলকে ধৰি কেইবাখনো স্কুলৰ পাঁচ শতাধিক ছাত্ৰ -ছাত্ৰী উপস্থিত থকা এই অনুষ্ঠান জাতীয় সংগীতেৰে সমাপ্তি ঘটে।

সংযুক্ত আৰব আমিৰাতৰ ৰাজধানী আবুধাবীত অনুষ্ঠিত বিশ্ব কিক বক্সিংত ভাৰতক প্ৰতিনিধিত্ব কৰিব নয়নজিৎ ৰায়ে

# বিশ্ব কিক বক্সিং প্ৰতিযোগিতালৈ বিলাসীপাৰাৰ নয়নজিৎ ৰায়



**অসম বাৰ্তা, বিলাসীপাৰা, ১২ ছেপ্তেম্বৰ ঃ** পশ্চিম অসমৰ ক্ৰীড়াপ্ৰেমীলৈ সুখবৰ। বিশ্ব কিক বক্সিং প্ৰতিযোগিতাত নামিব বিলাসীপাৰাৰ যুৱক নয়নজিৎ ৰায়। সংযুক্ত আৰব আমিৰাতৰ ৰাজধানী আবুধাবীত অনুষ্ঠিত হবলগীয়া বিশ্ব কিক বক্সিং প্ৰতিযোগিতালৈ নিৰ্বাচিত হোৱা বুলি খবৰ আহিছে নামনি অসমৰ নয়নজিৎ ৰায়ৰ। আন্তঃৰাষ্ট্ৰীয় কিক বক্সিং প্ৰতিযোগিতাত নিজৰ নাম সন্নিবিষ্ট কৰি নয়নজিতে ৰাজ্যখনৰ লগতে পশ্চিম অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৱাকো ইণ্ডিয়া কিকবক্সিং ফেডাৰেচনে প্ৰকাশ কৰা এক বিশেষ মনোনয়ন পত্ৰ যোগে এই কথা ঘোষণা কৰা হৈছে। বিলাসীপাৰাৰ সন্তান নয়নজিৎ ৰায়ৰ এই বাতৰি বিয়পি পৰাৰ লগে লগে নামনি অসমৰ ক্ৰীড়াপ্ৰেমী সকল উৎফুল্ল হৈ উঠা পৰিলক্ষিত হৈছে। উল্লেখ্য যে এই বাৰৰ বিশ্ব কিক বক্সিং প্ৰতিযোগিতা সংযুক্ত আৰব আমিৰাতৰ ৰাজধানী চহৰ আবুধাবীত অহা ২১ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰাৰ সুযোগ আজুৰি আনিবলৈ সক্ষ্যম হৈছে বিলাসীপাৰাৰ বিশ্বমিত্ৰ ৰায় আৰু সবিতা ৰায়ৰ তৃতীয় পুত্ৰ নয়নজিৎ ৰায়ে। ইতিমধ্যে ছত্তিশগঢ়ৰ ৰায়পুৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কেইবাজনো খেলুৱৈ অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত নয়নজিতে খিতাপ অৰ্জন কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত নিজৰ স্থান আজুৰি আনিবলৈ সক্ষম হৈছে। কোকৰাঝাৰৰ ডিমলগাঁও এমেচাৰ কিক-বক্সিং একাডেমীত প্ৰশিক্ষণ গ্ৰহণ কৰা তথা কোকৰাঝাৰ বাণিজ্যিক মহাবিদ্যালয়ত অধ্যয়ন কৰা ১৯ বছৰীয়া নয়নজিতৰ সাফল্যই ক্ৰীড়াপ্ৰেমীৰ লগতে বিলাসীপাৰাবাসীক গৌৰৱান্বিত কৰি তুলিছে। নায়নজিৎৰ এই সাফল্যই তেওঁৰ পৰিয়াল, বন্ধুবান্ধৱ আৰু সমগ্ৰ এলেকাৰ মাজত আনন্দৰ বন্যা কঢ়িয়াই আনিছে। সকলোৱে আশা যে তেওঁ আবুধাবীৰ বিশ্বমঞ্চৰ পৰা পদক জয় কৰি আহিব আৰু অসমৰ নাম উজ্জ্বল কৰিব।

ডিব্ৰুগড় মহানগৰক 'সাহিত্যৰ মহানগৰ' ৰূপে গঢ়াৰ প্ৰস্তাৱ

# ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন উপ-সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ ছেপ্তেম্বৰ ঃ** ডিব্ৰুগড়কে ধৰি অসমৰ আন কেইবাখনো মহানগৰক অসমৰ সাহিত্য মহানগৰ হিচাপে গঢ়ি তুলিবলৈ অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ গুৰুত্বপূৰ্ণ সভাত এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। যোৱা ৯ ছেপ্তেম্বৰৰ নিশা অনলাইন মাধ্যমত অনুষ্ঠিত এক সভাত উপ-সমিতিৰ বিভিন্ন কাম কাজৰ পৰিকল্পনা, আঁচনি সম্পৰ্কত বিষদ আলোচনা কৰা হয়। সাহিত্য মানেই হ'ল মিলন, সংযোগ, মৈত্ৰী। সেয়ে যুগে যুগে সাহিত্যই সকলো জাতি, জনগোষ্ঠী, সম্প্ৰদায়, ধৰ্মৰ মানুহক একত্ৰিত কৰি আহিছে। ভিন্নজাতি, ধৰ্ম, বৰ্ণৰ মানুহক সাহিত্য, সংস্কৃতিৰ মাজেদি সম্পৰ্কৰ বান্ধোন কটকটীয়া কৰি তুলিব পাৰি, এক মৈত্ৰীভাৱ জগাই তুলিব পাৰি। সেয়ে অসম সাহিত্য সভাৰ অন্যতম গুৰুত্বপূৰ্ণ উপ-সমিতি আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিয়ে অসমৰ ডিব্ৰুগড়কে ধৰি শিৱসাগৰ, নগাঁও, বৰপেটা আদি কেইখনমান নগৰ, মহানগৰক সাহিত্যৰ নগৰ হিচাপে ঘোষণা কৰিবলৈ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদনৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিয়ে এই প্ৰস্তাৱত সন্মতি জনোৱাৰ লগে লগে অসমৰ ডিব্ৰুগড়কে ধৰি কেইবাখনো নগৰ, মহানগৰ 'সাহিত্যৰ নগৰ' হিচাপে পৰিচিত হৈ পৰিব। এই সম্পৰ্কে অনুষ্ঠিত হোৱা সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদনৰ বাবে শীঘ্ৰেই প্ৰস্তাৱ প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে। উপ- সমিতিৰ আহ্বায়ক, বিশিষ্ট লেখক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই পৰিচালনা কৰা সভাখনত উপ-সমিতিৰ তৰফৰ পৰা এখন ই-আলোচনী প্ৰকাশ কৰাৰ কথাও প্ৰস্তাৱ গ্ৰহণ কৰে। মুম্বাইস্থিত প্ৰৱাসী অসমীয়া ৰুমা হাজৰিকাক সেই আলোচনীৰ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাই অতি শীঘ্ৰে অষ্ট্ৰেলিয়া, শ্ৰীলংকাত এটাকৈ অসম সাহিত্য সভাৰ শাখা মুকলি কৰাৰ কথা ঘোষণা কৰে। অসম সাহিত্য সভাৰ গ্ৰেট বৃটেইন শাখাৰ স'তে অসম সাহিত্য সভাৰ সম্পৰ্ক কটকটীয়া কৰি তোলা আৰু ৰাছিয়াত এটা শাখা মুকলি কৰাৰ কথাও অৱগত কৰে। ইউনেস্ক'ৰ উদ্যোগত অসমত 'ব্ৰহ্মপুত্ৰ সাহিত্য মহোৎসৱ' গঢ়ি তোলাৰ বিষয়েও আলোচনা কৰা হয়। মৈত্ৰীবন্ধন উপ-সমিতিৰ উদ্যোগত কুৱেটত ড° ভূপেন হাজৰিকাৰ জন্মদিন উদ্‌যাপন কৰাৰ কথাও ৰুমা হাজৰিকাই অৱগত কৰে। চুবুৰীয়া ৰাজ্য মণিপুৰ, মিজোৰাম আৰু অৰুণাচলত অসম সাহিত্য সভাৰ শাখা মুকলি কৰাৰ বিষয়েও সভাত আলোচনা কৰা হয়। সহ-আহ্বায়ক ড° সীমান্ত বৰুৱাই চলিত মাহতে শিৱসাগৰ জিলাত কেবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি মন্তব্য কৰে। সভাত দক্ষিণ আফ্ৰিকাকে ধৰি পৃথিৱীৰ বিভিন্ন ঠাইত থকা সাহিত্য সভাৰ শাখাৰ স'তে সংযোগ বৃদ্ধি কৰি অসম সাহিত্য সভাৰ স'তে একেলগে কাম কৰি যোৱাৰ পৰিৱেশ ৰচনা কৰাৰ বিষয়েও বিতং আলোচনা কৰা হয়। উল্লেখ্য যে ২৭ ছেপ্তেম্বৰৰ সন্ধ্যা ৭ বজাত আন এখন গুৰুত্বপূৰ্ণ বৈঠক অনলাইন মাধ্যমত অনুষ্ঠিত কৰাৰ কথাও সভাত সিদ্ধান্ত লোৱা হয়। সভাত ৰমেশ চন্দ্ৰ কাকতি, দয়ানন্দ গোস্বামী প্ৰমুখ্যে আন কেইবাজনো সমিতিৰ সদস্য উপস্থিত থাকে।

কাৰ্যসূচীত ৰণজিৎ কুমাৰ দাস

# বৰপেটাৰোডত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ ছেপ্তেম্বৰ ঃ** ড° ভূপেন হাজৰিকা অকল এজন ব্যক্তিয়ে নাছিল, তেওঁ আছিল এটি অনুষ্ঠান। সুধাকণ্ঠই গীতৰ মাজেৰে দেশ প্ৰেম স্বদেশ প্ৰেমৰ বাৰ্তা প্ৰদান কৰিছিল; তেওঁৰ প্ৰতিটো গীতৰ মাজতে লুকাই আছে বিশেষ অৰ্থ। বৰপেটাৰোড পৌৰসভাৰ উদ্যোগত ড° ভূপেন হাজৰিকা ক্ষেত্ৰত বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উপলক্ষে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ব্ৰঞ্জৰ প্ৰতিমূৰ্তিত মাল্যৰ্পণ কৰি এই মন্তব্য কৰে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। সুধাকণ্ঠৰ প্ৰতিমূৰ্ত্তি স্থাপন কৰা উক্ত খেলপথাৰখনত অনুষ্ঠিত হোৱা অনুষ্ঠানত সুধাকণ্ঠই অংশগ্ৰহণ কৰা আৰু উক্ত অনুষ্ঠানৰ সৈতে তেওঁ জড়িত আছিল বুলি মন্ত্ৰী দাসে স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ দাসৰ লগতে পৌৰপতি ৰাজেশ সৰকাৰৰ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া প্ৰিয়াঙ্কু বৰুৱা সহ পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ তথা প্ৰমুখ্যে ব্যক্তি সকলে শ্ৰদ্ধাঞ্জলি জনায়। আনপিনে বৰপেটাৰোড প্ৰেছ ক্লাবত প্ৰাগ নিউজৰ উদ্যোগত আৰু ক্লাবৰ সহযোগত কেক কাটি দিৱস উদযাপন কৰাৰ লগতে বৰপেটাৰোড সাহিত্য সভা তথা বিভিন্ন অনুষ্ঠানেও অনুষ্টুপীয়াকৈ কাৰ্যসূচী লয়।

দেৰগাঁৱৰ বেংক গ্ৰাহকৰ মাজত চাঞ্চল্য

# দেৰগাঁৱৰ বৰমুকলিত উঠিছে টকাৰ উজান

**অসম বাৰ্তা, দেৰগাঁও, ১২ ছেপ্তেম্বৰ ঃ** বাৰিষা কালত নদী-খাল-বিলত পানী বঢ়াৰ লগে-লগে মাছৰ উজান উঠাৰ দৰে কালিৰে পৰা দেৰগাঁৱৰ সমীপৱৰ্তী বৰমুকলিত টকাৰ উজান উঠাৰ খবৰ পোৱা গৈছে। ৯ ছেপ্টেম্বৰৰ পুৱা ১১ মান বজাৰ পৰা গাঁওখনৰ জীয়ৰী-বোৱাৰী, ল'ৰা- ছোৱালী, ডেকা-বুঢ়া সকলো দৌৰা দৌৰি কৰিছে ওচৰৰ গ্ৰাহক সেৱা কেন্দ্ৰলৈ। কিছুমান ঢাপলি মেলিলে দেৰগাঁও নগৰৰ এটি এমলৈ। সকলোৱে বেংক একাউণ্টত সোমাইছে হাজাৰ হাজাৰ টকা। কোনোজনৰ একাউণ্টত সোমাইছে ৩৫, ০০০ টকা, কাৰোবাৰ একাউণ্টত সোমাইছে ৭০, ০০০, কাৰোবাৰ একাউণ্টত সোমাইছে তিনি লাখ পৰ্যন্ত। মুঠৰ সকলোৱে একাউণ্ট ভৰি পৰিল। কিন্তু আচৰিত কথা কোনেও নাজানে ক'ৰ পৰা সোমাইছে এই টকাবোৰ। ৯ আৰু ১০ ছেপ্টেম্বৰৰ দিন দুটাত বৰমুকলি হৈ গাঁৱৰ লোকসকলৰ একাউণ্টত সোমাল এক কোটিতকৈও অধিক টকা। ক'ৰ আৰু পৰা হোৱাহোৱে সোমাইছে ইমান টকা। ইয়াকে লৈ বৰমুকলিত চাঞ্চল্যৰ সৃষ্টি হৈছে। একেদৰে কাষৰীয়া বেলগুৰি, বোকোৰা গাঁৱৰ বহু লোকৰ বেংক একাউণ্টত একোঘৰৰ দুই-তিনিজন ব্যক্তিৰ একাউণ্টত লক্ষাধিক টকালৈকে ধন সোমোৱাৰ কথা জানিব পৰা গৈছে। বাতৰি যুগুত কৰা সময়লৈকে ক'ৰ পৰা কেনেকৈ এই ধন একাউণ্টত সোমাইছে তাৰ কোনো সবিশেষ তথ্য লাভ কৰিব পৰা নাই। এই লৈ সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যই বিৰাজ কৰিছে।

মেধাৱী ছাত্ৰ প্ৰিন্স বৰুৱাক উমাৰাম শইকীয়া সোঁৱৰণী প্ৰতিভা বঁটা আৰু দ্বীপজ্যোতি ভঁৰালীক বিদ্যালয় প্ৰতিভা বঁটা প্ৰদান

# মাজুলীৰ পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণী সভা সম্পন্ন

## পাঁচজন ছাত্ৰক বুৰঞ্জী বিভাগৰ আৰ্থিক পুৰস্কাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১২ ছেপ্তেম্বৰ ঃ** মাজুলীৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ২০২৫ বৰ্ষৰ নৱাগত আদৰণী সভাখন আজি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নৱাগত আদৰণী সভা উপলক্ষে আজি পুৱা বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ পৰিৱেশ পৰিষ্কাৰ কৰে। তাৰপিছত গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী তথা পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ভবেন কাকতিয়ে। তাৰপিছত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি তথা বিদ্যালয়ৰ উপাধ্যক্ষ গজেন বৰাই। শ্বহীদ তৰ্পণ কৰে গড়মূৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি কৌস্তুভ কৌশিক বৰঠাকুৰে। পুৱা ন' বজাত বিদ্যালয়ৰ মূল তোৰণৰ পৰা বিদ্যালয়ৰ দ্বি- শতাধিক নৱাগত ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে আদৰণী জনোৱা হয়। বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত, উপাধ্যক্ষ গজেন বৰাৰ নেতৃত্বত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক ধূপ, দীপ জ্বলাই, ফুল চন্দনৰে আদৰণী জনায়। বিদ্যালয়ৰ জ্যেষ্ঠ ছাত্ৰ ছাত্ৰীসকলে ঢোল- তাল, বজাই, ফুল ছটিয়াই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণী জনায়। তাৰপিছত বিদ্যালয়ৰ নৱাগত আদৰণী সভা উপলক্ষে প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা "সমন্বয়" উন্মোচন কৰে বিশিষ্ট শিক্ষাব্ৰতী, তথা নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক সঞ্জীৱ কুমাৰ পায়েঙে। তাৰপিছত, ন-পুৰণি ছাত্ৰ ছাত্ৰীসকলৰ মাজত এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক যদু কলিতা আৰু অমিযা বৰাই পৰিচালনা কৰা অন্তৰংগ আলাপত ছাত্ৰ ছাত্ৰীসকলে নৃত্য, গীত প্ৰদৰ্শন কৰি সকলোকে মুগ্ধ কৰে। দুপৰীয়া এঘাৰ বজাৰ পৰা নৱাগত আদৰণী সভা উপলক্ষে মুকলি সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ৰমেশ চন্দ্ৰ শইকীয়াৰ পৰিচালনাত দ্বিতীয় বৰ্ষৰ ছাত্ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতৰে মুকলিসভাখন শুভাৰম্ভ কৰা হয়। যদু কলিতাই আঁত ধৰা মুকলি সভাখনত সভাপতিত্ব কৰে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পংকজ দলেয়ে। বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথে উদ্বোধন কৰা উক্ত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ তত্বগধুৰ ভাষণ প্ৰদান কৰে মাজুলী জিলাৰ উপ- আৰক্ষী অধীক্ষক ৰাজীৱ কুমাৰ শইকীয়াই। নিজৰ ভাষণত তেওঁ ছাত্ৰ ছাত্ৰীসকলক জীৱনটো নিয়মানুৱৰ্তিতাৰে আগুৱাই নিবলৈ আহ্বান জনায়। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়া, বিশিষ্ট সমাজকৰ্মী তথা প্ৰাক্তন ছাত্ৰ নেতা ৰঞ্জন শইকীয়া, গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা জিলা কৃতী শিক্ষকৰ বঁটা প্ৰাপক কুমুদ গোস্বামী, পীতাম্বৰ দেৱ গোস্বামী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপ জ্যোতি শইকীয়াই অংশগ্ৰহণ কৰি ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। উক্ত, মুকলি সভাত বিদ্যালয়খনৰ পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ লাভ কৰা মেধাৱী ছাত্ৰ প্ৰিন্স বৰুৱা (৮৮.৮ শতাংশ)'ক উমাৰাম শইকীয়া সোঁৱৰণী প্ৰতিভা বঁটা -২০২৫ (দাতা- ৰঞ্জন শইকীয়া, গড়মূৰ )আৰু দ্বিতীয় সৰ্বাধিক নম্বৰ লাভ কৰা মেধাৱী ছাত্ৰ দ্বীপ জ্যোতি ভঁৰালীক "প্ৰয়াত ৰামেশ্বৰ বৰা সোঁৱৰণী প্ৰতিভা বঁটা -২০২৫" (দাতা- দেৱজিৎ বৰা, গড়মূৰ) প্ৰদান কৰা হয়। উক্ত, পুৰস্কাৰ প্ৰদান অনুষ্ঠানত বিদ্যালয়খনৰ পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উৰ্ত্তীণ হোৱা ৩২ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়। যদু কলিতাই আঁত ধৰা পুৰস্কাৰ প্ৰদান অনুষ্ঠানত বিদ্যালয়ৰ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ নৱাগত পুৰস্কাৰ অলিম্পিকা হাজৰিকা আৰু অয়ন মুক্তিয়াৰক প্ৰদান কৰা হয়। উক্ত, পুৰস্কাৰ প্ৰদান অনুষ্ঠানতে বিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শশী নাথে প্ৰদান কৰা বুৰঞ্জী বিভাগত লেটাৰ নম্বৰ লাভ কৰা পাঁচজন ছাত্ৰ-ছাত্ৰীক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হয়। উক্ত, মুকলি সভাত বৰ্ণালী নাথৰ কণ্ঠত বৰগীত আৰু অলিম্পিকা হাজৰিকাই আধুনিক গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি তথা উপাধ্যক্ষ গজেন বৰাই। বিয়লি তিনি বজাত ধ্ৰুৱজ্যোতি পাঠক আৰু ধন দাসৰ নেতৃত্বত সমূহীয়া বিহুৰে অনুষ্ঠানৰ সামৰণি পৰে।

চৰকাৰক শীঘ্ৰে পথ নিৰ্মাণৰ আহ্বান

# বৰডুবি-আঠগাঁও সংযোগী পথে জ্বলাকলা খুৱাইছে পথচাৰীক

**অসম বাৰ্তা, মেৰাপানী, ১২ ছেপ্তেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ দৈয়াং গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰডুবি আৰু আঠগাঁও সংযোগী এটা পথৰ দুৰৱস্থাই জ্বলা কলা খুৱাইছে পথচাৰী তথা ছাত্ৰ ছাত্ৰী সকলক তথ্য অনুসৰি অসম নাগালেণ্ড সীমান্তৰ মেৰাপানী দৈয়াং গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰডুবি আঠগাঁও সংযোগী পথটো আজি বছৰ বছৰ ধৰি বিধ্বস্ত অৱস্থাত আছে, পথ নহয় যেন পুখুৰীহে, পথেদি পাৰ হৈ যাব নোৱাৰে পথচাৰী, আনকি মটৰচাইকেলখনো পাৰ কৰি নিব নোৱাৰে পথচাৰীয়ে, ছাত্ৰ-ছাত্ৰীসকল যাব নোৱাৰে বিদ্যালয়লৈ, হাতত চেণ্ডেল লৈ একাঠু বোকা ফালি যাব লাগে ছাত্ৰ ছাত্ৰী সকল বিদ্যালয়লৈ এজাকবৰষুণতে বিধস্তহ পথটো। জনপ্ৰতিনিধিয়ে পঞ্চায়ত গঠন কৰিছে আৰু আৰু গৈছে বছৰ বছৰ ধৰি পথটো পকীকৰণৰ ব্যৱস্থা কৰা নাই গাঁও পঞ্চায়তে, কাণ সাৰ নাইজন প্ৰতিনিধি সকলৰো। আজি জৰাজীৰ্ণ পথটোত সাংবাদিক উপস্থিত হোৱাত ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজে চৰকাৰক শীঘ্ৰেই পথটো পকীকৰণৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

# 'কা' বাতিলৰ দাবীত মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত বীৰ লাচিত সেনাৰ উত্তাল প্ৰতিবাদ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৯ ছেপ্টেম্বৰ ঃ** বীৰ লাচিত সেনা অসমৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে মৰিগাঁও জিলা সমিতিয়ে আজি নাগৰিকত্ব সংশোধনী আইন 'কা' সম্পুৰ্ণৰূপে বাতিলৰ দাবিত মৰিগাঁৱত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বীৰ লাচিত সেনাৰ মৰিগাঁও জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি হিতেশ ডেকা আৰু মুখ্য সচিব দ্বীপমনি হীৰাৰ নেতৃত্বত সংগঠনটোৰ নেতা-কৰ্মীসকলে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি বিজেপি চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গ' বেক, নাগৰিকত্ব সংশোধনী আইন বাতিল কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ পিছতে 'কা' বাতিলৰ দাবীৰে মৰিগাঁৱৰ জিলা আয়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য কমল মেধী, সাংগঠনিক সচিব কৃষ্ণ পাটৰকে ধৰি কেইবাখন আঞ্চলিক সমিতিৰ বিষয়-ববীয়া আৰু শতাধিক নেতা-কৰ্মী উপস্থিত থাকে।

# বঙাইগাঁও জিলাৰ ঢাকানাবাৰীস্থিত অসম পেট্ৰ'কেমিলেছ লিমিটেডৰ বইটামাৰী ফৰ্মেলিন প্ৰকল্পৰ উৎপাদিত সামগ্ৰীৰ বাণিজ্যিক বিক্ৰীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, লেংটিছিঙা, ১২ ছেপ্তেম্বৰ ঃ** আজি বঙাইগাঁও জিলাৰ বইটামাৰীৰ ঢাকানাবাৰীত অসম পেট্ৰ'কেমিলেছ লিমিটেডৰ চতুৰ্থ গোটৰ দৈনিক ২০০টন উৎপাদনক্ষম বইটামাৰী ফৰ্মেলিন প্ৰকল্পৰ শুভাৰম্ভ কৰে অধ্যক্ষ বিকুল ডেকা আৰু আন আন শিৰ্ষ বিষয়ববীয়াৰ উপস্থিতি। বঙাইগাঁও জিলাৰ ঢাকনাবাৰীত স্থাপন কৰা প্ৰকল্পটো হৈছে APLৰ চতুৰ্থ গোট। বুধবাৰে APLৰ অধ্যক্ষ বিকুল চন্দ্ৰ ডেকাই উপাধ্যক্ষ হেমন্ত কুমাৰ গগৈ লগতে APL উচ্চ পদস্থ বিষয়া কৰ্মচাৰী উপস্থিত আছিল। অসম পেট্ৰ'কেমিলেছ লিমিটেডৰ বইটামাৰী ফৰ্মেলিন প্ৰকল্পৰ উৎপাদিত সামগ্ৰীৰ বাণিজ্যিক বিক্ৰীৰ শুভাৰম্ভণি কৰে। পশ্চিমবঙ্গ আৰু চুবুৰীয়া দেশ ভূটানলৈ ১৫০ টন ফৰমেলিন ভৰ্তি বাহনৰ মুকলি কৰে APLৰ অধ্যক্ষ বিকুল চন্দ্ৰ ডেকাই।

# গৰৈমাৰীৰ হাতীশলাত লক্ষাধিক টকাৰ শাল কাঠ জব্দ

**অসম বাৰ্তা, গৰৈমাৰী, ১২ ছেপ্তেম্বৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ হাতীশলাত আজি বন বিভাগে অভিযান চলাই বহু পৰিমাণৰ অবৈধ ফলা শাল কাঠ জব্দ কৰিবলৈ সমৰ্থ হয়। জানিব পৰামতে গৰৈমাৰীৰ বন বিভাগৰ বিষয়া আব্দুল গফুৰৰ নেতৃত্বত বনকৰ্মী নন্দেশ্বৰ কলিতা, প্ৰবীণ দাস, ইছাহক আলীয়ে গোপন খবৰৰ ভিত্তিত আজি পুৱা হাতীশলাত অভিযান চলায়। অভিযানত চোৰাং ব্যৱসায়ীয়ে বিক্ৰীৰ বাবে পথাৰত জমা ৰখা মূল্যৱান ফলা শাল কাঠখিনি জব্দ কৰে। জব্দকৃত শাল কাঠখিনিৰ বজাৰ মূল্য লক্ষাধিক হ'ব। জব্দকৃত চোৰাং কাঠখিনি গৰৈমাৰীৰ বন বিভাগৰ জিম্মাত ৰাখিছে।

## দিল্লী উচ্চ ন্যায়ালয়ত

ইমেইলৰ পাছত আতংকৰ সৃষ্টি হৈছে। এই ইমেইলটো ন্যায়ালয়ৰ ৰেজিষ্ট্ৰাৰ জেনেৰেল আৰু অন্যান্য বিষয়ক অফিচাৰসকলৰ অফিচিয়েল ইমেইল আইডীত ১০বাজি ৪১ মিনিটত প্ৰেৰণ কৰা হৈছিল। ইমেইলটোত "জাজ চেম্বাৰ"ত বোমা বিস্ফোৰণৰ হুমকি দিয়া হৈছিল, যাৰ ফলত ন্যায়ালয়ৰ চৌহদ সম্পূৰ্ণৰূপে খালী কৰি দিয়া হৈছে আৰু শুনানীসমূহ হঠাৎ স্থগিত ৰখা হৈছে। এই ঘটনাই ন্যায়ালয়ৰ চৌহদত হুলস্থুল প্ৰকাশ পাইছে, য'ত বিচাৰক, উকিল আৰু অন্যান্য সকলোকক নিৰাপত্তাৰ্থে বাহিৰলৈ উলিয়াই দিয়া হৈছিল। ইমেইলটোত পাকিস্তানৰ গোপনীয় সংস্থা আইএছআই (আইএছআইএছ)-ৰ সহায়ত বোমা স্থাপন কৰাৰ কথা উল্লেখ কৰা হৈছে। প্ৰেৰকে নিজক "ভিজয় শৰ্মা" বুলি পৰিচয় দি ৰেজিষ্ট্ৰাৰ জেনেৰেল অৰুণ ভৰ্দ্বাজক লিখিছে যে, "তিনিটা আইইডি (ইম্প্ৰ'ভাইজড এ'প্ল'ছিভ ডিভাইচ) জাজৰ কক্ষত স্থাপন কৰা হৈছে।" ইয়াতো ১৯৯৮ চনৰ পটনাত হোৱা বোমা বিস্ফোৰণৰ পুনৰাবৃত্তি কৰাৰ হুমকি দি কয়, "এজন যুৱক চিয়া মুছলমান ডঃ শাহ ফাইছালে কোৰেম্বাটৰত আইএছআইৰ সৈতে যোগাযোগ কৰি পটনাত আজি ১৯৯৮ চনৰ বোমা বিস্ফোৰণৰ পুনৰাবৃত্তি কৰিছে।" ইমেইলটোত বংশানুক্ৰমিক নেতাসকলক লক্ষ্য কৰি হুমকি দিয়া হৈছে, য'ত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী আৰু দিল্লী চিফ মিনিষ্টাৰ এম কে ষ্টেলিনৰ নাম উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি, ডিএমকেৰ পুত্ৰ উধয়নিধি ষ্টেলিনৰ পুত্ৰক অ্যাচিডে পোৰাই দিয়াৰ হুমকিও দিয়া হৈছে। ইমেইলটোত বোমা নিষ্ক্ৰিয় কৰিবলৈ এটা ক'ডৰ প্ৰয়োজন হ'ব আৰু সেই ক'ড জানিবলৈ এক নিৰ্দিষ্ট ফ'ন নম্বৰত ক'ল কৰিব লাগিব বুলি কোৱা হৈছে। ইমেইলটো প্ৰাপ্ত হোৱাৰ পিছত দিল্লী পুলিচে তৎক্ষণাত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি ন্যায়ালয়ৰ চৌহদ খালী কৰাৰ নিৰ্দেশ দিছে। দুপৰীয়া ১২বাজি ২৫ মিনিটত দিল্লী ফায়াৰ চাৰ্ভিছ (ডিএফএছ)-ক কল প্ৰাপ্ত হৈছিল, যাৰ পিছত বহুতো ফায়াৰ টেণ্ডাৰ ন্যায়ালয়লৈ পঠোৱা হৈছে। বোমা ডিটেকচন আৰু ডিছপ'জেল টিম (বিডিডিএছ) ন্যায়ালয়ৰ চৌহদত উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰিছে। অনুসন্ধানৰ সময়লৈকে কোনো সন্দেহজনক বস্তু বা বিস্ফোৰক পদাৰ্থৰ সন্ধান নোপোৱাত পুলিচে ইয়াক ভুৱা বুলি ঘোষণা কৰিছে। তথাপি, চাইবাৰ টিমে ইমেইলৰ উৎস নিৰ্ণয় কৰিবলৈ তদন্ত অব্যাহত ৰাখিছে, য'ত ভিপিএন (ভাৰ্চুৱেল প্ৰাইভেট নেটৱৰ্ক)ৰ ব্যৱহাৰৰ সন্দেহ উত্থাপিত হৈছে। এই ঘটনা দিল্লীত চলি থকা বোমা হুমকিৰ ধাৰাবাহিকতাৰ অংশ। বিগত কেইমাহমানৰ পৰা দিল্লী-এনচিৰৰ বিদ্যালয়, কলেজ আৰু চৰকাৰী অট্টালিকাত এনে ভুৱা হুমকিৰ ইমেইলসমূহ প্ৰাপ্ত হৈছে। উদাহৰণস্বৰূপে, ২৮ আগষ্টত চানাক্যপুৰীৰ জিছাছ আৰু মেৰী কলেজসহ ২০খন কলেজত বোমা হুমকিৰ ইমেইল আহিছিল। মঙ্গলবাৰতো দিল্লী চিফ মিনিষ্টাৰৰ কাৰ্যালয় আৰু মৌলানা আজাদ মেডিকেল কলেজত (এমএএমচি) এনে হুমকি প্ৰাপ্ত হৈছিল। লালকিল্লাৰ দৰে ঐতিহাসিক স্থানসমূহো এই আতংকৰ চিকাৰ হৈছিল। জানুৱাৰীৰ পৰা আগষ্টলৈ দিল্লী-এনচিৰৰ অধিক ১০০খন শিক্ষা প্ৰতিষ্ঠানত এনে হুমকি প্ৰাপ্ত হৈছে, যিবোৰ সকলোৰে ভুৱা বুলি পৰিমাণিত হৈছে।

## অসমৰ ইতিহাসত সৰ্বাধিক

দলৰ এখন প্ৰতিনিধি সভাৰ সময়ত বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা প্ৰকাশ কৰিছে। সভাত অংশগ্ৰহণকাৰী সাংবাদিকসকলৰ সন্মুখত গগৈয়ে মুখ্যমন্ত্ৰীক অসমৰ ইতিহাসত সৰ্বাধিক চঞ্চলমতীয়া ৰাজনৈতিক নেতা বুলি বৰ্ণনা কৰি কটাক্ষ কৰে। তেওঁ কয় যে, হিমন্ত বিশ্ব শৰ্মা অসমৰ আটাইতকৈ সৰ্বাধিক উচ্ছৃংখল, জঁপিয়াই থকা, স্থিৰতা নথকা আৰু ভৰিত চকা লাগি থকা মুখ্যমন্ত্ৰী হিচাপে নাম লিখাই ৰাখিছে। গগৈয়ে মুখ্যমন্ত্ৰীৰ বক্তব্যক অসমৰ ইতিহাসত সৰ্বাধিক গাম্ভীৰ্যহীন আৰু তৰল বুলি চিহ্নিত কৰি কয় যে, এনে বক্তব্যসমূহে ৰাজ্যৰ ৰাজনৈতিক স্থিৰতাক প্ৰশ্নবিদ্ধ কৰিছে। "অসমৰ ইতিহাসৰ আটাইতকৈ গাম্ভীৰ্য নথকা তৰল বক্তব্য প্ৰকাশ কৰা মুখ্যমন্ত্ৰীজনৰ নামেই হিমন্ত বিশ্ব শৰ্মা" বুলি তেওঁ স্পষ্টভাৱে উল্লেখ কৰে। এই মন্তব্যসমূহৰ জৰিয়তে গগৈয়ে মুখ্যমন্ত্ৰীৰ নেতৃত্বশৈলীক উচ্ছৃংখলতা আৰু অস্থিৰতাৰ সৈতে যুক্ত কৰি সমালোচনা কৰিলে, যাৰ ফলত স্থানীয় ৰাজনৈতিক মহলত এটা নতুন মোৰ বৰ্ষাই পৰিছে। উল্লেখ্য যে, অখিল গগৈ সিপাহীজালাৰ সিউকা বিধানসভা সমষ্টিৰ বিধায়ক আৰু ৰাইজৰ দলৰ প্ৰমুখ সদস্য। তেওঁ পূৰ্বৰ পিছতো হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কঠোৰ সমালোচনাৰ বাবে জনপ্ৰিয়। এইবাৰৰ মন্তব্যে তেজপুৰৰ স্থানীয় ৰাজনৈতিক মণ্ডলীত বহুল প্ৰতিক্ৰিয়া জন্ম দিছে, য'ত বিজেপিৰ সমৰ্থকসকলে ইয়াক অস্থিৰতাৰ প্ৰচেষ্টা বুলি অভিহিত কৰিছে। সভাৰ পিছত গগৈয়ে সামাজিক মাধ্যমতো ইয়াৰ প্ৰতিক্ৰিয়া জনায় আৰু অসমৰ জনতাক স্থিৰতাৰ বাবে সংগ্ৰাম কৰিবলৈ আহ্বান জনায়।

## বিটিচিত আমাৰ চৰকাৰ

কৰিছে যে এইবাৰ বিপিএফে লাভ কৰিব একক সংখ্যাগৰিষ্ঠতা। প্ৰচাৰ অভিযানত ব্যস্ত প্ৰতিটো ৰাজনৈতিক দল। ২৬ ছেপ্টেম্বৰত হ'ব বিটিচিৰ ভোটগণনা। ইফালে শুকুৰবাৰে কোকৰাঝাৰৰ কচুগাঁৱত BTC নিৰ্বাচনৰ প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, এইবাৰ BTCত বিজেপিৰ চৰকাৰ হ'ব। আমাৰ চৰকাৰ আহিলে ভিচিডিচিক গাঁতত পেলাই দিম। "আমি দিয়া আঁচনিবোৰ VCDয়ে খাই পেলায়। দুখীয়া মানুহৰ আঁচনিবোৰ কাঢ়ি খাই VCDয়ে। আমাৰ চৰকাৰ আহিলে VCDক গাঁতত পেলাই দিম।" লগতে মুখ্যমন্ত্ৰীয়ে কয়, "অ'ৰৈৰ-নৰেম্বৰত BTCৰ সকলো পৰিয়ালক অৰুণোদয় আঁচনিৰ সুবিধা দিম। এটকা নিদিয়াকৈ BTCত চাকৰি পাব লাগিব। দুখীয়া-দৰিদ্ৰক লুণ্ঠন কৰিবলৈ দিয়া নহ'ব।" মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "BTCত চালকৰ আসনত আছে বেলেগ, তেল ভৰাও আমি। মামাই গেৰাণ্টী দিছে, মামাক বিশ্বাস কৰক। কোনো তল নাই, কোনো ওপৰ নাই, সকলো ৰজা হ'ব।" স্বাস্থ্যমন্ত্ৰীৰ সন্মুখতে মুখ্যমন্ত্ৰীক ৰাইজৰ অভিযোগ, আমাৰ হাস্পতালত চিকিৎসক নাই, চিকিৎসক লাগে। ৰাইজৰ অভিযোগ পাই স্বাস্থ্যমন্ত্ৰীক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ, সোনকালে হাস্পতালত চিকিৎসক নিয়োগ কৰক। লগতে মুখ্যমন্ত্ৰীয়ে কয়, বঙালী মানুহে ডি-ভোটাৰৰ কথা চিন্তা কৰিব নালাগে। ডি-ভোটাৰৰ বিষয়ে মই যি কৰিব লাগে কৰি আছোঁ।

### শ্ৰম আইন,শ্ৰম সংহিতা আৰু শ্ৰমিকৰ অধিকাৰৰ ওপৰত আলোচনা সভা অনুষ্ঠিত

## কঞাত সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পঞ্চম কামৰূপ জিলা সন্মিলন

**অসম বাৰ্তা, বাহাৰঘাট, ১২ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত কঞাৰ কামপীঠ বাৰোৱাৰী দুৰ্গা পূজা সভাঘৰত আজি সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পঞ্চম কামৰূপ জিলা সন্মিলন অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি যজ্ঞ বড়োই ইউনিয়নৰ পতাকা উত্তোলন কৰাৰ লগতে চি আই টি ইউৰ কামৰূপ জিলা কমিটীৰ সভাপতি নৰেশ্বৰ পাটোৱাৰীয়ে দলীয় পতাকা উত্তোলন কৰা হয়। যজ্ঞ বড়ো নৰেশ্বৰ পাটোৱাৰী আৰু বসন্ত কলিতা সভাপতি মণ্ডলীৰ পৰিচালনাত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত নিৰ্মাণ শ্ৰমিক ইউনিয়ন কামৰূপ জিলা কমিটীৰ সম্পাদক হৰিপদ তালুকদাৰে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে আদৰণি ভাষণ আগবঢ়ায়, অভ্যৰ্থনা সমিতিৰ সভাপতি,অৱসৰপ্ৰাপ্ত অভিযন্তা তথা বিশিষ্ট সমাজকৰ্মী প্ৰমোদ কলিতাই।প্ৰতিনিধি সভাত দলীয় আভ্যন্তৰীণ বিষয়ৰ ওপৰত বিশেষ ভাবে আলোচনা কৰাৰ লগতে পুৰণা কমিটী পদত্যাগ আৰু নতুন সমিতি নিৰ্বাচিত কৰা হয়। যজ্ঞ বড়োক সভাপতি আৰু হৰিপদ তালুকদাৰ সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ কামৰূপ জিলা কমিটী গঠন কৰে। আনহাতে সন্মিলনৰ লগত সংগতি ৰাখি বিশিষ্ট সমাজকৰ্মী প্ৰমোদ কলিতাৰ সভাপতিত্বত শ্ৰম আইন, শ্ৰম সংহিতা আৰু শ্ৰমিকৰ অধিকাৰৰ ওপৰত এখন গাম্ভিৰ্যপুৰ্ণ আলোচনা সভা অনুষ্ঠিত কৰা হয়।প্ৰায় তিনি শতাধিক সদস্য তথা ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ আলোচনা সভাত চি আই টি ইউৰ ৰাজ্যিক নেতা বিজন দাস, বিশিষ্ট সাংবাদিক তথা কাৰ্ল মাৰ্ক্সৰ অনুৰাগী,কৃষক নেতা ভুৱনেশ্বৰ লহকৰ,নিখিল ভাৰত কৃষক সভাৰ কামৰূপ জিলা কমিটীৰ সভাপতি আবুল হুচেইন,ভাৰতৰ ছাত্ৰ ফেডাৰেচন এচ এফ আইৰ কামৰূপ জিলাৰ সভাপতি ধিৰাজ দাস,সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ কেন্দ্ৰীয় পৰ্যবেক্ষক বাসুদেৱ কলিতাই বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। সভাত বিশিষ্ট অতিথি সকলে ছাত্ৰ ছাত্ৰী তথা ৰাইজৰ মাজত শ্ৰম আইন,শ্ৰম সংহিতা আৰু শ্ৰমিকৰ অধিকাৰৰ ওপৰত ভাষণ প্ৰদান কৰি সকলোকে আপ্লুত কৰাৰ লগতে সকলোকে একলগ হৈ অন্যায় বিৰুদ্ধে মাত মাতি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

## ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতিক

